চেপ্টেম্বৰ 2002 Rs. 10/-

চান্দমামা

চিন্তুৰ পছন্দ
চিন্তুক মাকে এটুকুৰা সাধাৰণ চাবোনেৰে গাধুৱাই দিয়ে । সি খণ্ডতে সদায় কান্দে ।
মই জানিব পৰা নাই প্ৰতিবাৰে গাধুৱাই দিয়াৰ সময়ত সি কিয় কান্দে। মইতো কুহুমীয়া গৰম পানী ব্যৱহাৰ কৰো ।
অন্য চাবোন ব্যবহাৰ কৰি চাব পাৰে । তাৰ চাবোন তাক নিজকে পছন্দ কৰিবলৈ দিব ।
এয়া মোৰ পছন্দ ।
অতি উত্তম পছন্দ, মেদাম । মাইচোৰ চন্দাল উড বেবি চাবোন চন্দন কাঠ আৰু বাদাম তেলেৰে সমৃদ্ধ । ছালৰ কাৰণে এই চাবোন খুব ভাল ।
বজাৰৰ সকলোবোৰ দোকানতে এই চাবোন পোৱা যায় ।
মহীশূৰৰ চন্দনে যোৱা ৮০ বছৰৰো ওপৰ কাল তোমালোকৰ ঘৰলৈ চন্দন কাঠৰ সুগন্ধ কঢ়িয়াই লৈ আহিছে ।
Mysore Sandal
Baby
Soap



PIRANHA
ACTIVE
CADET HX
YANKEE
ROBO COP
HERO
Heroes start early.
Ride, race, take a tumble or even take a fall.
Because it's never too early to be a hero.
HERO CYCLES

চন্দ্ৰগিৰি দুৰ্গ

- তিৰুপতিৰ ওচৰত



বিজয়নগৰ সাম্ৰাজ্য, যাৰ পৰিসৰ তিনি শতিকাজুৰি তেলেগু আৰু কানাড়া ভাষাকোৱা অঞ্চল বিয়পি আছিল, সেয়া আছিল এক গৌৰৱপূৰ্ণ যুগ ।

বিজয়নগৰৰ শাসনকৰ্ত্তা সকলক ৰায় বংশধৰ বুলি জনা গৈছিল । প্ৰজাসকলে তেওঁলোকক অতিকৈ সন্মান জনাই ৰায়লভৰু বুলি কৈছিল, বহুবচনত যাৰ অৰ্থ তেওঁলোকৰ মহানতাৰ প্ৰশংসা । তেওঁলোক আছিল কলা আৰু সংস্কৃতিৰ পৃষ্ঠপোষক, যাৰ কাৰণে তেলেগু সাহিত্য চহকী হৈ উঠিছিল ।



বিজয়নগৰ সাম্ৰাজ্যৰ উত্থান পতন সম্পৰ্কে চন্দ্ৰগিৰিত লাইট এণ্ড চাউণ্ড শ্ব'ত ভালদৰে বৰ্ণনা কৰি দেখুৱা হয় । চন্দ্ৰগিৰি বিজয়নগৰৰ শেষ ৰাজধানী । এই ঠাইখন তিৰুপতিৰ পৰা ১২ কি.মি: দূৰত স্বৰ্ণমুখী নদীৰ পাৰত অৱস্থিত ।

চন্দ্ৰগিৰিৰ 'চাউণ্ড এণ্ড লাইট শ্ব'ত অমিতাভ বচ্চনৰ গম্ভীৰ কণ্ঠস্বৰত দক্ষিণ ভাৰতৰ ঐতিহাসিক কাহিনীবোৰ সুন্দৰকৈ বৰ্ণনা কৰা হয় । অন্ধ্ৰ প্ৰদেশ পৰ্য্যটন নিগমে এই শিক্ষামূলক শ্ব'টো ধুনীয়াকৈ সজাই তুলিছে, যিটো শিশু সকলে তথা তেওঁলোকৰ পৰিয়ালবৰ্গই চোৱাতো অতি আৱশ্যকীয় ।



দৰাচলতে, অন্ধ্ৰ প্ৰদেশৰ ৰয়লসীমা অঞ্চল ৰায়সকলৰ নামেৰে নামকৰণ কৰা হৈছে । ধেমালিতে ইয়াক 'ৰত্নলসীমা' বুলিও কোৱা হয়- যাৰ অৰ্থ ৰত্ন থকা ঠাই । বিজয়নগৰৰ শাসকসকলৰ ভিতৰত কৃষ্ণদেৱ ৰায় আছিল অতি ক্ষমতাশালী আৰু উদাৰ শাসনকৰ্ত্তা ।

দাক্ষিণাত্যৰ ওপৰত মহম্মদ-বিন-টগলকৰ শাসন ক্ষমতা দুৰ্বল হৈ অহাত বিজয়নগৰ সাম্ৰাজ্য গঠন হৈছিল । তিনিটা বংশই বিজয়নগৰ সাম্ৰাজ্য শাসন কৰিছিল । শেষ ৰজাজন আছিল তালুবদন। কৃষ্ণদেৱ ৰয়ে (১৫০৯-১৫৩০) কৃষ্ণা আৰু তুঙ্গভদ্ৰাৰ মাজৰ অঞ্চলত আধিপত্য বিস্তাৰ কৰি পূব উপকূল আৰু উৰিষ্যাৰ ফালে অগ্ৰসৰ হৈছিল।

বৰ্ত্তমানে চন্দ্ৰগিৰি দুৰ্গ প্ৰায় ধ্বংসৰ মুখত, কিন্তু ইয়াৰ ভিতৰত থকা ৰাণী মহল আৰু ৰজা মহল অন্ধ্ৰ প্ৰদেশ পৰ্যটন নিগমে ভালদৰে সজাই তুলিছে । দুৰ্গৰ ভিতৰত ভালেকেইটা মন্দিৰ আছে ।

এক ঐতিহাসিক বিৱৰণ মতে বিজয়নগৰৰ শেষ ৰজাজনে বৃটিছৰ লগত এটা চুক্তি চহী কৰি চেন্নাপতনত এটুকুৰা মাটি বৃটিছক দান কৰিছিল, পিছত সেই ঠাইখনৰ নাম মাদ্ৰাজ ৰখা হয় । বৰ্তমানে সেই ঠাইৰ নাম চেন্নাই । বৃটিছসকলে এই ঠাইত চেন্ট জৰ্জ দুৰ্গ নিৰ্মাণ কৰিছিল। এইদৰে বৃটিছসকলে ইষ্ট ইণ্ডিয়া কোম্পানীৰ যোগেদি দক্ষিণ ভাৰতত সাম্ৰাজ্য বিস্তাৰৰ খোপনি পুতিছিল ।

বিজয়নগৰ উৎসৱ

(অক্টোবৰ মাহৰ তৃতীয় শুক্ৰ, শনি আৰু ৰবিবাৰ)

তিৰুপতিৰ ওচৰত থকা ঐতিহাসিক চন্দ্ৰগিৰি দুৰ্গই, (যত প্ৰতিদিন চাউণ্ড এণ্ড লাইট শ্ব দেখুৱা হয়) বিজয়নগৰৰ শাসকসকলৰ গৌৰৱময় দিনৰ সাক্ষ বহন কৰি আছে । এই উৎসৱ তিৰুমালা মন্দিৰৰ বাৰ্ষিক ব্ৰাহ্মোৎসৱৰ সৈতে একেলগে পতা হয় । এই উৎসৱত প্ৰথিতযশা সঙ্গীতজ্ঞ আৰু নৃত্যবিদসকলে ভাগ লয় । এই একে সময়তে ৰয়লসীমা ফুড ফেষ্টিভেল অনুষ্ঠিত হয় । এই উৎসৱত এই অঞ্চলৰ পৰম্পৰাগত সুস্বাদু খাদ্য সামগ্ৰী প্ৰদৰ্শন কৰা হয় ।

Central Reservation Offices at: Tirupati: T.P. Area, Beside Venkateswara Bus Station, Ph: 08574-55385, 55386, Mobile: 98480-07033; Fax: 08574-56877; Tirumala: 08574-70055; Nellore: H.NO.24, I/1613, 1st floor, Opp. Kasturba Kalakshetram, Police Office Road, Dargha Mitta. Ph: 0861-306089; Hyderabad: Opp. BRKR Bhavan, Tank Bund Road, Ph: 040-3453036, 3450165 Fax: 040-3453086; Secunderabad: Yatrinivas Complex, S.P. Road, Ph: 040-7893100, 7816375; Vijayawada: Hotel Ilapuram Complex, Gandhi Nagar, Ph: 0866-570255, 523966; Visakhapatnam: LIC Building, Daba Garden, Ph: 0891-746446, Fax: 713135; Kurnool: APTDC Divisional Office, C/D-6, C-Camp, Nandyal Road, Telefax: 08518-70104; Nagarjunasagar: 08680-77364, 76540; Srisailam: 08524-88311; Warangal: 08712-459201, 446606.

aptdc

ANDHRA PRADESH TOURISM

ANDHRA PRADESH TOURISM DEVELOPMENT CORPORATION

For Round the Clock Tourist Information on A.P.
Dial: 1901-334033 from Hyderabad / Secunderabad & 0901-334033 from other places in India.

এই সংখ্যাত আছে

বৰ্ষ : ২৯ চেপ্তেম্বৰ ২০০২ সংখ্যা -৯

ভাৰতৰ পৌৰাণিক আখ্যান
২৪

সত্যান্বেষক (বেতাল কাহিনী)
১৯

মায়া সৰোবৰ
১১

গণেশ
৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ চুঙা চাই সোপা ... ৯ ★ মায়া সৰোবৰ-৬ ... ১১
★ আচল কথাটোনো কি? ... ১৮ ★ সত্যান্বেষক (বেতাল কাহিনী) ...১৯ ★ ভাৰতৰ পৌৰাণিক উপাখ্যান-৫ ... ২৪
★ ধৰ্মই পৰমেশ্বৰ ... ২৮ ★ ভাৰতৰ বিষয়ে জানি লোৱা ... ৩১
★ কুম্বৰ নিদ্ৰা ... ৩২ ★ শ্ৰমদান ...৩৫ ★ ইণ্ডিয়াস্কোপ ... ৩৭
★ গোৱাৰ লোককথা ... ৩৮ ★ সংবাদ বিচিত্ৰা ... ৪৪
★ গণেশ ... ৪৫★ ৰাম ভক্ত ... ৫১ ★ সীমাহীন মূৰ্খ ... ৫৫ ★ আগৰ জন্মৰে গোন্ধা... ৫৮
★ অজেয় গৰুড় ... ৫৯ ★ ৰাজধৰ্ম ...৬৩
★ খেলিমেলি খেমালি ... ৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of
Chandamama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements @ chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers.
Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

হিংসাৰ কোনো স্থান নাই

অলপতে পূৰ্বৰ ৰাষ্ট্ৰপতি শ্ৰী কে. আৰ.নাৰায়ণনে জনসাধাৰণক ধৰ্মীয় সহিষ্ণুতা বজায় ৰাখিবলৈ পৰামৰ্শ দিয়া শুনিছো । তাৰ এদিন পিছতে আমাৰ নব নিৰ্বাচিত ৰাষ্ট্ৰপতি ড: এ.পি.জে. আব্দুল কালামে ভাৰতৰ পুনৰ্জাগৰণৰ কল্পনাৰ কথা দোহাৰিছে, যিটো কেৱল সম্ভৱ মানুহৰ মাজত ধৰ্মনিৰপেক্ষতা অক্ষুন্ন ৰখাৰ প্ৰতিশ্ৰুতিৰ দ্বাৰাহে ।

আমাৰ দেশৰ কিছুমান ঠাইত মানুহৰ মাজত চলা ধৰ্মীয় অসহিষ্ণুতা দেখি উভয়ে সেই একেটা কথাকে উল্লেখ কৰিছে । এইটো সকলোৰে জ্ঞাত যে কোনো ধৰ্মই হিংসাক প্ৰশ্ৰয় নিদিয়ে । নিৰীহ মানুহৰ মাজত সন্ত্ৰাসৰ ভাব সিঁচিদিয়াতো কেৱল মুষ্টিমেয় কেইজনমান ক্ষমতালোভীৰহে কাৰ্য্য । অলপতে এটা ধৰ্মৰ কিছুমান লোকে অন্য এক মতত বিশ্বাসী শ্ৰমিক কল'নী এটাৰ ত্ৰিশ ঘৰ মানুহৰ ওপৰত চলোৱা বৰ্বৰ আক্ৰমণ দেখি গোটেই দেশেই শিয়ঁৰি উঠিছে ।

আচৰিতভাবে, ঠিক একেদিনাই ঘটা অন্য এক ঘটনা হ'ল, সেই একে ধৰ্মত বিশ্বাসী লোকেই সুদূৰ ইংলেণ্ডত মাতৃভূমিৰ হকে ক্ৰিকেট খেলি দেশৰ জয়ৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছিল । লৰ্ডচত অনুষ্ঠিত খেলত আমাৰ ক্ৰিকেট দলটো প্ৰায় পৰাজয়ৰ সন্মুখীন হৈছিল । তেওঁলোকে দৃঢ়তাৰে খেলি এক স্মৰণীয় জয় আনি দিছিল । জয়ৰ সময়ত সেই দুজন খেলুৱৈয়েতো ভবা নাছিল তেওঁলোক কোন ধৰ্মৰ মানুহ।

এই একে প্ৰসঙ্গতে আমি ৰাষ্ট্ৰপতি দুজনাৰ মতৰ ঐক্যৰ কথাটো লক্ষ্য কৰিব লাগিব। ভাৰতবৰ্ষ আজি এনে এক অৱস্থাত উপনিত হৈছে য'ত হিংসাৰ কোনো স্থান নাই । সকলোৱে মাথোঁ শান্তি আৰু আনৰ ভালৰ কাৰণে চিন্তা কৰাতোহে দেশৰ কাৰণে মঙ্গলজনক হব ।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া - ১২

ইয়াতে স্বাধীনতা আন্দোলনৰ কিছুমান নেতাৰ কথা উল্লেখ কৰা হৈছে । তুমি তেওঁলোকক জানানে ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব । *

1. মই কংগ্ৰেছী সকলক বৃটিছ চৰকাৰৰ অধীনৰ চাকৰি পৰিত্যাগ কৰিবলৈ পৰামৰ্শ দিছিলো । মোক শেৰ-ই-পাঞ্জাব বুলিও কয় । মই কোন কোৱাচোন ?

---

2. মই এজন বিদ্ৰোহী তামিল কবি । মোৰ গীত আৰু কবিতাত ভাৰত মাতৃক শক্তিৰূপে স্তুতি কৰা হৈছে । মোৰ নাম কি কোৱা ?

---

3. মই 'কেশৰী' নামৰ মাৰাঠী দৈনিক এখন সম্পাদনা কৰিছিলো । বৃটিছ চৰকাৰে মোক ব্ৰহ্মদেশৰ মান্দালয়লৈ ছয় বছৰৰ কাৰণে দেশান্তৰিত কৰিছিল ? তুমি মোক জানানে ?

---

4. মই হিন্দুস্থান চোচিয়েলিষ্ট ৰিপাব্লিকান আৰ্মি গঠন কৰিছিলো । ১৯৩১ চনত মোক কমৰেড ৰাজগুৰু আৰু সুখদেওৰ লগত ফাঁচি দিয়া হৈছিল । মই কোন কোৱাচোন ?

---

5. মই সত্যগ্ৰহক এক ৰাজনৈতিক হাতিয়াৰ হিচাবে ব্যৱহাৰ কৰিছিলো । সেয়া মোৰ এক দান, নহয়নে বাৰু ? মোৰ নাম কি কোৱা ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা । এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে? মোৰ ভাল লগা জাতীয় হিৰো হ'ল - এই বিষয়ে ১০টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম...

বয়স.............................শ্ৰেণী..................................

ঠিকনা..

পিন..............................ফোন...................................

প্ৰতিযোগীৰ চহী..

দেউতাক/মাকৰ চহী...

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 12
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০২ চনৰ ৫অক্টোবৰৰ আগতে পোৱাকৈ উত্তৰ পঠাবা

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব । বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব ।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব ।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব ।

চুঙা চাই সোপা

ৰাম আৰু ভীমে ওচাৰ ওচৰিকৈ বাস কৰে । কিতাপ সংগ্ৰহ কৰি ৰখা ৰামৰ এটা ডাঙৰ চখ । এদিন ভীমে ৰামৰ ঘৰলৈ আহি আলমাৰিত সুন্দৰকৈ সজাই ৰখা কিতাপবোৰ দেখি কলে, " ইচ ৰাম, তোমাৰ ঘৰৰ ওচৰতে বাস কৰো, অথচ তোমাৰ ইয়াত যে ইমানবোৰ কিতাপ আছে মই কবই নোৱাৰো । এইখন কিতাপ মোক দিয়া, পঢ়ি উঠি ওভতাই দিম ।"

ৰামে তৎক্ষনাত কলে, " ক্ষমা কৰিবা, মই কোনো মানুহকে কিতাপ ধাৰলৈ নিদিও । পিছে হা, তোমাৰ যদি ইমানেই পঢ়াৰ ইচ্ছা তেনেহলে ইয়াতে বহি পঢ়া ।"

ৰামৰ কথাত ভীমে বেয়া পালে । তথাপি সেই বেয়া পোৱাতো প্ৰকাশ নকৰি ভীমে কলে, "হয়, নিশ্চয় পঢ়িম । পিছে আজি নহয়, অন্য এদিন আহিম ।

এসপ্তাহ পিছত ৰাম ভীমৰ ঘৰলৈ আহিল । তেওঁ ভীমক কলে, " তুমি মোক অলপ সহায় কৰিব লাগে । মোৰ ঘৰত খুব এলান্ধু হৈছে । তোমাৰ ঘৰত যদি এলান্ধু সৰা ঝাড়ু আছে মোক দিয়াচোন । এঘন্টাৰ ভিতৰতে ঘূৰাই দিম ।"

ভীমে হাঁহি মাৰি কলে, " মোৰ ঘৰত ঝাড়ু আছে হয়, পিছে মাফ কৰিবা, অইনক ঝাড়ু ধাৰলৈ দিয়া মোৰ অভ্যাস নাই । কিন্তু তুমি মোৰ চুবুৰীয়া আৰু ভাল বন্ধু, সেয়েহে ঝাড়ুটাৰ মই নিজে লৈ গৈ এলান্ধুখিনি চাফা কৰি দি আহিম।

ৰামে এতিয়াহে নিজৰ ভুল বুজিব পাৰিলে । তেওঁ কিতাপ ধাৰলৈ দিবলৈ অস্বীকাৰ কৰিছিল আৰু আজি ভীমে ঝাড়ুটাৰ দিবলৈ অস্বীকাৰ কৰি চুঙা চাই সোপা দিলে ।

- সৰলা দামোদৰ



টিডাৰ জাঙ্গল বেলচ

অন্ধ্র প্রদেশৰ বিশাখাপটনমৰ পৰা ৭৫ কি.মি. দূৰত পূৰ্বঘাটত অৱস্থিত টিডা এখন সৰু গাওঁ। অন্ধ্র প্রদেশৰ পৰ্য্যটন উন্নয়ন নিগম আৰু ৰাজ্যিক বন বিভাগে লগলাগি ইয়াতে এটা জাঙ্গল বেলচ নামৰ প্ৰাকৃতিক কেম্প তৈয়াৰ কৰিছে। ৰাজ্যখনৰ এইটোৱে এনে ধৰণৰ প্ৰথম ইকো টুৰিজিম আৰু পৰিবেশ শিক্ষামূলক কাৰ্য্য।

জাঙ্গল বেলচ নেচাৰ কেম্পটো ২৬ একৰ বনাঞ্চলৰ মাটি আগুৰি আছে। ইয়াতে তুমি টেন্ট, পঁজা ঘৰা অথবা ডৰমিটৰীত থাকিব পাৰা। ইয়াত সকলো ধৰণৰ আধুনিক সা সুবিধা যেনে - ৰেষ্টুৰেন্ট, কফি চপ, নেচাৰ লাইব্ৰেৰী, ওৱাচটাৱাৰ আৰু ওলমা বিছনা আদি আছে।

ইয়াৰে ওচৰত থকা বননি, পাহাৰ, গাওঁৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰিবলৈ গলে প্ৰশিক্ষণ প্ৰাপ্ত গাইডৰ সহায় লব পাৰা। তেওঁলোকে এইবোৰ ঠাইৰ বিষয়ে কব আৰু বিভিন্ন চৰাইবোৰক চিনাই দিব। পক্ষীপ্ৰেমী সকলৰ কাৰণে টিডা অতি উত্তম ঠাই। এই অঞ্চলত প্ৰায় ৩৫০ বিধ চৰাই আছে। তুমি যদি জঙ্গলী জীৱন সম্পৰ্কে শিকিব খোজা তেনেহলে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক পাবা। তেওঁলোকে তোমাক পশুৰ খোজ, পশু আৰু চৰাইৰ মাত, জন্তুলুকাই থকা ঠাই ইত্যাদিৰ বিষয়ে বুজাই কব। টিডা অঞ্চলৰ হাবিত থকা বন্য জন্তুবোৰ হ'ল - ফুটুকী হৰিণা, সুগৰী পহু, শ্লথ বীয়াৰ, বনৰীয়া গাহৰি আৰু নাহৰফুটুকী বাঘ।

ইয়াৰ ওচৰে পাজৰে সৰু সৰু ধুনীয়া পাহাৰ আৰু টিলা আছে। ইচ্ছা কৰিলে তুমি ইয়াতে পাহাৰ বগাব পাৰা।

তালৈ তুমি কেনেকৈ যাবা: ভাইজাগৰ পৰা টিডালৈ তুমি গাড়ী ভাড়া কৰি যাবা পাৰা, কিন্তু ৰেলগাড়ীৰে যোৱাতো অতি সুবিধাজনক, ভাইজাগৰ পৰা টিডালৈ এই ৰেলপথচোৱাৰ প্ৰাকৃতিক দৃশ অতি মনোৰম। ইয়াৰ বাহিৰে তুমি এ পি টি ডি চি-ৰ পেকেজ টুৰও কৰিব পাৰা। এই ভ্ৰমণৰ কাৰণে হাই টেক কোচ আছে।

মায়া সৰোবৰ

6

ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীয়ে যেতিয়া জয়শীলৰ ওচৰলৈ আহিল জয়শীলে অতি কৌশলেৰে জলগ্ৰহ নামৰ হাতীটোৰ ওপৰত উঠি বহিল । জয়শীল আৰু সিদ্ধসাধকে ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰী মকৰকেতুক হিৰণ্যপুৰ অভিমুখে হাতীটো লৈ যাবলৈ নিৰ্দেশ দিলে । এডাল গছৰ ওপৰত উঠি থকা ভীল ভীমে মকৰকেতুক লক্ষ্য কৰি শৰ মাৰিলে । জলগ্ৰহে ভীল ভীম উঠি থকা গছডাল উভালি পেলালে । ইয়াৰ পিছত

ভীল ভীমে প্ৰাণৰ ভয়ত চিঞৰি উঠিছিল। গছডালৰ সৈতে সিও মাটিৰ ওপৰত গিৰিমকৈ পৰিল । জয়শীলে ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰী মকৰকেতুৰ কান্ধত ধৰি লৰাই দি কলে, "হেই দুষ্ট, মোৰ আদেশ অবিহনে তুমি জলগ্ৰহক কিয় গছডাল বগৰাই পেলাবলৈ উচতাই দিছা?"

মকৰকেতুৱে বিষতে কেকাই কেকাই কলে, "জয়শীল, মই যদি তাক মাটিত পেলাই নিদিলোহেতেন সি আৰু এপাত বাণ মাৰি মোক মাৰিপেলালে হেতেন । তাক গছৰ পৰা পেলাই দিয়াৰ বাহিৰে মোৰ অন্য উপায় নাছিল ।"

এনেতে সিদ্ধসাধকে জলগ্ৰহৰ ওপৰৰ পৰা তললৈ জাঁপ মাৰি পৰিল আৰু গছৰ ডালৰ মাজত বজি থকা ভীমক টানি উলিয়াই আনি কলে, "হেই মূৰ্খ, হাত ভৰি একো ভঙা নাইতো?"

ধাৰণকাৰীৰ চকুৰ সোমাজত বাণ মাৰিব পাৰো ।"এইবুলি কৈ ভীমে ধনুখন তুলি ললে।

জয়শীলে ভীমৰ হাতৰ পৰা ধনু শৰ কাটি আনি দলিয়াই পেলাই দিলে । ঠিক সময়তে চৰকাচাৰী আৰু বীৰ আহি তাত উপস্থিত হ'ল । তেওঁ কলে, "এয়া কি? পেটত সোমাই আছে তৰোৱাল আৰু কান্ধত সোমাই আছে বাণ ! অনুমান হৈছে, ইয়াৰ বেয়া দিন আহিছে!"

"ছি:, এইয়াও নো কিবা জীৱন নে ? এই অধম মানৱৰ হাতত মোৰ এই অপমান ! ইয়াতকৈ মই মৰি যোৱাই ভাল । ক'ত মোৰ শূল?" এইবুলি কৈ মকৰকেতুৱে জলগ্ৰহৰ ওপৰত শূল বিচাৰিবলৈ ধৰিলে ।

সিদ্ধসাধকে হাতত থকা শূলপাত ওপৰলৈ দাঙি দেখুৱাই কলে, "এইপাত তোমাৰ শূল, শূলপাত মই নিজৰ হাতত ৰাখি থৈছো ।"

ইয়াৰ পিছত জয়শীল আৰু সিদ্ধসাধকে পুনৰ হাতীৰ ওপৰত উঠি কলে, "মকৰ-কেতু, কোনো ভয় নাই । আমি তোমাক কেতিয়াও মাৰি নেপেলাও আৰু আনকো মাৰিবলৈ নিদিও । তোমাক ওচৰৰ গাঁৱলৈ লৈ গৈ চিকিৎসা কৰাম । যেতিয়া তোমাৰ ঘা শুকাই যাব তেতিয়াহে আমি হিৰণ্যপুৰৰ ৰজাৰ ওচৰলৈ তোমাক লৈ যাম। আমাৰ কথা বিশ্বাস কৰা ।"

মকৰকেতুৱে দুয়োখন হাত ওপৰলৈ তুলি কলে, "সকলো মায়া সৰোবৰেৰ দয়া । বাটত কোনো অধম ভীলে যাতে মোক

"ভীমে জাঁপ এটা মাৰি দেখুৱাই কলে," ভূতৰ গৰাকী ডাঙৰীয়া, মই ঠিকই আছো। মই কতো দুখ পোৱা নাই । কিন্তু মোৰ এইটোৱে দুখ যে মোৰ লক্ষ্য ভ্ৰষ্ট হল আৰু এই দুষ্ট বাচি গ'ল । এইবাৰ কিন্তু মোৰ লক্ষ্য ঠিকেই থাকিব আৰু হাতীৰ ওপৰত বহি থকা সেই পিশাচক শেষ কৰিহে এৰিম ।"ইয়াকে কৈ ভীমে অতি উৎসাহেৰে ধনুখন হাতত তুলি ললে ।

জয়শীলে তৎক্ষণাত হাতীৰ ওপৰৰ পৰা জাঁপ মাৰি পৰি ভীমৰ হাতত থাপ মাৰি ধৰি কলে, "তুমি এইটোও বুজা নাই নে, যদি তোমাৰ বাণ লক্ষ্য ভ্ৰষ্ট হয় তেতিয়া মোৰ গাত লাগিব পাৰে ?"

"মহাশয়, মোৰ বাণ অব্যৰ্থ । যদি মই ইচ্ছা কৰো তেনেহলে এই ঘঁৰিয়ালৰ ৰূপ

উদ্দেশ্য কৰি বাণ নামাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিবা । মোৰ গাত যাতে কোনো আঘাত নালাগে, এই দায়িত্ব তোমালোক দুজনৰ ওপৰত ।"

"তুমি চিন্তা নকৰিবা । আমি তোমাক ৰক্ষা কৰিম । এতিয়া জলগ্ৰহক আগবাঢ়ি-বলৈ সংকেত দিয়া ।" জয়শীলে কলে ।

জলগ্ৰহ অলপ দূৰ আগবাঢ়ি গৈছিল হে মাথোঁ, এনেতে গছৰ ওপৰত ডাফলি বজোৱা আৰু সুহুৰি মৰা শুনা গ'ল । তাৰ পিছতে ভীলসকলৰ ভূতনাথ আৰু দহ বাৰজন ভীল যুৱক গছৰ পৰা নামি আহিল । সকলোৰে হাতত অস্ত্ৰ আছিল ।

ভীল ভূতনাথে জঁপিয়াই জঁপিয়াই কবলৈ ধৰিলে, "বলি! বলি! মই মহাকালী । ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীৰ ডিঙি চিঙি দি তাৰ ৰক্তেৰে দুয়ো ভৰি ধুম । যদি ইয়াকে কৰিব নোৱাৰো, ভীলসকলৰ কুল নাশ কৰি দিব ।

জলগ্ৰহৰ পিছফালে থিয় হৈ থকা ভীমে "মা কালি !" বুলি চিঞৰি উঠিল । তাৰ পাছত সিদ্ধসাধকক উদ্দেশ্যে কৰি কলে, " হে ৰজাৰ ভূত বৈদ্য, আমাৰ গণাচাৰীৰ ওপৰত আমাৰ কুলদেৱী মহাকালীয়ে ভৰ কৰিছে । মাই এই ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীৰ ৰক্ত বিচাৰিছে । তাক হাতীৰ পৰা তললৈ পেলাই দিয়া । তাৰ পাছত গণচাৰীয়ে ইয়াৰ ব্যৱস্থা কৰিব ।

জয়শীলে বুজিব পাৰিলে ভীমৰ ওপৰতো মহাকালীয়ে ভৰ কৰিছে । এই অৱস্থা যিকোনো মুহূৰ্ত্তত কিবা অঘটন ঘটিব পাৰে ।



জয়শীলে মকৰকেতুৰ কাণে কাণে কিবা এটা কলে ।

মকৰকেতুৱে তৎক্ষণাত জলগ্ৰহক সম্বোধন কৰি কলে, "জলগ্ৰহ, এই অধম ভীলক শুঁৰেৰে মেৰিয়াই ওপৰলৈ তুলি ধৰ।"

জলগ্ৰহে তৎক্ষণাত ভীমৰ কঁকালত শুঁৰেৰে মেৰিয়াই ধৰি ওপৰলৈ দাঙি দিলে । ভীমে চটফটাই থাকি কলে, "জয়শীল প্ৰভু, মহাকালীয়ে ঘঁৰিয়াল ৰূপীৰ ৰক্ত বিচাৰিছে আৰু আপুনি ইয়াত বাধা দিছে । আপুনি বাৰু জনা নাই নে এই কথাত মহাকালী যদি ক্ৰোধিত হৈ উঠে তেনেহলে অনৰ্থ ঘটিব পাৰে ।"

জয়শীলে তৰোৱালখন ভীমৰ পিঠিত লগাই দি কলে, "ভীম, তোমালোকৰ মানুহবোৰক ইয়াৰ পৰা যাবলৈ কোৱা।"

ভীমে ভয়তে কঁপি কঁপি কলে, "প্ৰভু, তৰোৱালখন মোৰ পিঠিত, সুমুৱাই নিদিব। আপোনাৰ তৰোৱালখান খুব জোঙা।"

"ভীম, মই তোমাক কৈছো কি আৰু তুমি কৰিছা কি?" জয়শীলে আৰু অলপ জোৰে তৰোৱালখন ভীমৰ পিঠিত হেচি দি কলে।

ভীমে তুৰন্তে জলগ্ৰহক আক্ৰমণ কৰিবলৈ সাজু হৈ থকা ভীলসকলক কলে, "হে শকত মামা, হে বুতা খুৰা, আক্ৰমণ নকৰিবা। সাৱধান! এই ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰী লোকজন ৰজাৰ মানুহ।

"তেনেহলে তাৰ ৰক্তেৰে মোৰ পদযুগল প্ৰক্ষালন কৰাৰ প্ৰতিজ্ঞা কি হব? মই এই পিশাচৰ বলি লৈহে এৰিম। বলি! বলি! পিশাচৰ বলি!" এইবুলি কৈ গণচাৰীয়ে জলগ্ৰহৰ ফালে আগবাঢ়িবলৈ ধৰিলে।

জয়শীলে তেতিয়া জলগ্ৰহৰ ওপৰৰ পৰা নামি আহি গণচাৰীৰ চুলিকোচাত থাপ মাৰি ধৰি তাক ধমক দি কলে, "মিছলীয়া কৰবাৰ, সাঁচাকৈ কোৱা মহাকালীয়ে তোমাৰ ওপৰত ভৰ কৰিছে নেকি? মই জানো, মদৰ নিচাত তুমি এইবোৰ আবোল তাবোল বকি আছা।"

"মহাকালী, মোক ৰক্ষা কৰা, ৰক্ষা কৰা।" এই বুলি গণচাৰীয়ে চিঞৰিবলৈ ধৰিলে। এনেতে দহজন অশ্বাৰোহী আহি তাত উপস্থিত হল আৰু সকলোকে ঘেৰি ধৰিলে।

জয়শীলে চিনিব পাৰিলে সেই অশ্বাৰোহীবোৰ ৰজাৰে সৈন্য। তেওঁ সৈন্যবোৰক কলে, "হাতীৰ ওপৰত উঠি থকা ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰীজন ৰজাৰ কয়েদী। চাবা, যাতে সি পলাই নাযায়।" সৈন্যবোৰৰ দলপতিয়ে মকৰকেতু আৰু জলগ্ৰহক দেখি আচৰিত হল। তেওঁ দুয়োটাৰ ফালে কিছু সময় চাই থাকি। তাৰ পিছত সুধিলে, "এইজন কোন? ৰাক্ষস নে পিশাচ?"

"দুয়োটাৰ এটাও নহয়। কিন্তু কোন জাতিৰ সেইটো কোৱাও মুস্কিল।" জয়শীলে কলে।

এনেতে সিদ্ধসাধকে গণচাৰীক ধৰি দূৰলৈ লৈ গৈ ধনু-শৰলৈ আক্ৰমণ কৰিবলৈ সাজু হৈ থকা ভীলসকলক কলে, "সঁচা-কৈয়ে ই কালীমাৰ ভক্ত নহয়। ই এজন বদমাচ। ইয়াক শৰ মাৰি থকা সৰকা কৰি দিয়া।"

এই কথা শুনি গণচাৰীয়ে থৰথৰকৈ কঁপিবলৈ ধৰিলে । সেই সময়তে জয়শীলক তাত দেখি কলে, "প্ৰভু, এই ভীলসকলৰ হাতৰ পৰা মোক ৰক্ষা কৰা । নহলে সিহঁতে মোক শৰ মাৰি থকাসৰকা কৰি দিব ।"

ভীলসকলে গণচাৰীক শৰ মাৰিবই খুজিছিল । জয়শীলে সিহঁতক সাৱধান কৰি দি কলে, "ৰবা,তেওঁক নামাৰিবা ।" তাৰ পাছত সিদ্ধসাধকৰ ফালে চাই কলে, "এয়া তুমি কি কৰিছা ? মৃত্যুদণ্ড দিব পৰা তুমি এজন ৰজা নেকি ?"

কিনো হৈছে এই কথা ধৰিব নোৱাৰি অশ্বাৰোহী সৈন্যসকলে জয়শীলক, সুধিলে, "আপুনিয়েই জয়শীল নেকি? ওচৰৰে পাহাৰীয়া পুখুৰীটোৰ পাৰত মন্ত্ৰীয়ে বিশ্ৰাম লৈ আছে । আপোনাক বিচাৰি বিচাৰিয়ে আমি এইখিনি পাইছোহি ।"

তেতিয়া সিদ্ধসাধকে কলে, "মই সিদ্ধসাধক । মই আৰু জয়শীলে ৰাজকুমাৰ আৰু ৰাজকুমাৰীক বিচাৰি এই ঠাই পাইছো। এই বিচিত্ৰ মুখাধাৰীয়েই তেওঁলোকক অপহৰণ কৰিছে । গোটেই জঙ্গল ঘূৰি ঘূৰি আমি ইয়াক বশলৈ আনিছো ।"

দলপতিয়ে মকৰকেতুৰ ফালে ভালদৰে চাই কলে, "ইয়াক অকল আচৰিত নহয়, ভয়ঙ্কৰ যেনো লাগিছে । ইয়াৰ পেটত তৰোৱাল সোমাই আছে আৰু কান্ধত সোমাই আছে এপাত বাণ । এইবোৰ ইয়াৰ অলঙ্কাৰ যেন দেখা গৈছে ।"

"সেইবোৰ অলঙ্কাৰ নহয় । সেইবোৰ

তাৰ যম ।" জলগ্ৰহৰ ওচৰৰ পৰা আগবাঢ়ি আহি বীৰে কলে ।

জয়শীলে ভাবিলে এইদৰে সময় কটোৱা উচিত হোৱা নাই । তেওঁ মকৰকেতুক কলে, "তুমি নিজৰ নিৰাপত্তা সম্পৰ্কে নিশ্চিন্ত থাকা । কনকাক্ষ ৰজাই তেওঁৰ মন্ত্ৰীক পঠাই দিছে । বলা, আগবাঢ়া ।"

ভীমে গণচাৰীৰ ফালে তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰিলে । তাৰ পাচত ওচৰত থকা সৈন্য এজনৰ পৰা যাঠী এপাত টান মাৰি লৈ গৈ জোৰে চিঞৰি উঠিল, "মোৰ মুগীটো কত? গণচাৰী, তুমি সেইটো কত লুকুৱাই ৰাখিছা?" এইদৰে চিঞৰি সি গণচাৰীৰ ওপৰত জঁপিয়াই পৰিল ।

গণচাৰীয়ে ভয়তে চিঞৰি কলে "ইয়াৰ ওপৰত ভূতে লম্ভিছে । এতিয়া ইয়াতে



ধন্য হৈ উঠিব। মকৰকেতুৰ চিকিৎসাও আমি তাতেই কৰিম। আমি দেখুৱাই দিম আমি কিমান ডাঙৰ শল্য চিকিৎসক।” চৰকাচাৰীয়ে কলে।

“তুমি ঠিকেই কৈছা চৰকাচাৰী। এই সফলতাৰ দ্বাৰা আমি ৰাজদৰবাৰত পদো লাভ কৰিব পাৰো। আমি ৰাজ্য বৈদ্য হব পাৰিম। মই ঠিক কথা কৈছোনে ?” অতি উৎসাহিত হৈ বীৰে কলে।

তোমালোক ৰাজবৈদ্য হব পাৰিবা নে নোৱাৰা সেইটো মই নাজানো, কিন্তু এইটো নিশ্চিত যে যদি তোমালোকে মকৰকেতুক বচাব নোৱাৰা তেনেহলে মন্ত্ৰীয়ে তোমালোকৰ মূৰ দুটা দেহৰ পৰ আলগ কৰি দিব।” জয়শীলে কলে।

এই কথা শুনি সিদ্ধসাধকে আৰু এখোপ আগবাঢ়ি কলে, “মন্ত্ৰী মহেদয়ে এইকাম মোৰ ওপৰত অৰ্পণ কৰিলে মন্ত্ৰোচ্ছাৰণ কৰি দুয়োকে মহাকালৰ ওচৰত বলি দিম। ইয়াৰ দ্বাৰা আমাৰেই নহয় সকলো মানুহৰে কল্যাণ হব।”

সিদ্ধসাধকৰ কথাশুনি জয়শীলে হাঁহি মাৰি কলে, “এতিয়া কথা বন্ধ কৰা, আগবাঢ়ো ব'লা।”

আধা ঘন্টাৰ ভিতৰতে তেওঁলোকে গৈ মন্ত্ৰীৰ চাউনিৰ ওচৰ পালে। মন্ত্ৰী ধৰ্মমিত্ৰই সকলোৰে ফালে এবাৰ দৃষ্টি নিক্ষেপ কৰি জয়শীলক কলে, “ৰজাৰ পুত্ৰ কন্যা অপহৰণকাৰীক তুমি বন্দী কৰি লৈছা, ইয়াৰ বাবে তোমাক অভিনন্দন জনাইছো। তেওঁ-

থাকিলে বিপদ হব। পলোৱা, পলোৱা।” এইদৰে কৈ পিছলৈ ঘূৰি ঘূৰি চাই পলাৱলৈ ধৰিলে। বাকী ভীলবোৰেও তাৰ পিছে পিছে দৌৰিবলৈ ধৰিলে। ভীমেও যাঠীপাতলৈ সিহঁতৰ পিছে পিছে খেদি গ'ল।

“ৰক্ষা। যাহওঁক ভীলবোৰ গ'ল গৈ।” এইবুলি কৈ সিদ্ধসাধকে হাঁহিবলৈ ধৰিলে।

এই সকলোবোৰ কাণ্ড আচৰিত হৈ চাই থকা সৈন্যসকলৰ দলপতিয়ে কলে, “মহাশয়, আমি এতিয়া আগবাঢ়ো ?

জয়শীলে চৰকাচাৰী আৰু বীৰক ওচৰলৈ মাতি আনি কলে, “তোমালোকে আগে আগে ৰস্তা দেখুৱাই যোৱা। মন্ত্ৰী মহোদয় তোমালোকৰ গাঁৱৰ ওচৰতে বিশ্ৰাম লৈ আছে।”

“মন্ত্ৰী মহোদয়ৰ আগমনে আমাৰ গাওঁ

লোকক ক'ত লুকুৱাই ৰাখিছে সেই কথাতো তুমি বাৰু জানিব পাৰিছানে ?"

জয়শীলে সকলো বৃত্তান্ত মন্ত্ৰীৰ আগত কলে । তাৰপাছত তেওঁ পুনৰ মন্ত্ৰীক কলে, "মন্ত্ৰীবৰ, এতিয়া তাৰ শাৰীৰিক আৰু মানসিক অৱস্থা ভাল নহয় । সেহেয়ে অপহৰণৰ বিষয়ে মই তাক কোনো কথা সোধা নাই । বাটত নানা বিপদৰ পৰা বচাই মই তাক আপোনাৰ ওচৰলৈ লৈ আহিছো । প্ৰথমতে শল্য চিকিৎসাৰ দ্বাৰা মকৰকেতুৰ দেহত সোমাই থকা তৰোৱালখন আৰু শৰপাত উলিয়াব লাগিব । ঘা শুকুৱাৰ পিছতহে তাক সোধপোচ কৰাতো উচিত হব।"

মকৰকেতুৱে তেওঁলোকৰ কথা বতৰা মনোযোগেৰে শুনি আছিল । তেওঁ কলে, "জয়শীল, জলগ্ৰহৰ পিয়াহ লাগিছে । বহুদিন ধৰি সি পানী খোৱা নাই । আগতে পুখুৰীলৈ লৈ গৈ তাক পানী খুৱাব লাগিব।"

জয়শীলে প্ৰথমতে ভাবিলে এইটো মকৰকেতুৰ বদমাচি বুলি । সেয়েহে তেওঁ এক মূহুৰ্ত্তৰ বাবেও তাক নিয়ন্ত্ৰনৰ বাহিৰলৈ যাব দিব খোজা নাছিল । পিছত কিবা ভাবি তেওঁ কলে, "ঠিক আছে । কিন্তু মই আৰু সিদ্ধসাধক জলগ্ৰহৰ ওপৰত উঠি থাকিম । তুমি ফাকিও দিব পাৰা।" তাৰপাছত জয়শীল আৰু সিদ্ধসাধক জলগ্ৰহৰ ওপৰত উঠি থিয় হ'ল ।

মকৰকেতুৱে জলগ্ৰহক পুখুৰীত নামিবলৈ সংকেত দিলে । কিছু গভীৰ পানীলৈ যোৱাৰ পিছত মকৰকেতুৱে কলে, "জয়শীল, মৃত্যুৰ পৰা মই হাত সাৰিব নোৱাৰিম যেন পাইছো । সেয়া ঘা শুকুৱাৰ পিছতে হওক লাগে আগতে হওক ।"তাৰ পাছত অলপ সময় মনে মনে থাকি হঠাতে চিঞৰি উঠিল, "হে মায়া সৰোবৰেশ্বৰ ! জলগ্ৰহ, ডুব দিয়া আৰু ৰাস্তা দেখুৱাই লৈ যোৱা ।"

জলগ্ৰহে তৎক্ষণাত জয়শীল আৰু সিদ্ধসাধকৰে সৈতে পানীত ডুব দিলে ।

- আগলৈ



আচল কথাটোনো কি?

"এই ধুনীয়া চৰাইটোৰ দাম ৫০টা স্বৰ্ণমুদ্ৰা। আহক, মাত্ৰ ৫০টা স্বৰ্ণমুদ্ৰা দি এই অপূৰ্ব চৰাইটো লৈ যাওঁক।" এজন মানুহে সাপ্তাহিক হাটত এইদৰে চিঞৰি আছিল । সেই সময়ত নাছিৰুদ্দিন হোজাই গাধটোত উঠি বজাৰত ঘূৰি আছিল । সেই চৰাইটো চাবৰ কাৰণে তাত বহুতো মানুহৰ ভিৰ হৈছিল ।

নাছিৰুদ্দিনে চৰাইটো ভালদৰে এবাৰ চাবৰ কাৰণে মানুহৰ ভিৰ থেলি চৰাই বিক্ৰীকৰা মানুহজনৰ ওচৰ পাইছিল । নাছিৰুদ্দিনৰ সেই চৰাইটো সাধাৰণ চৰাই যেন লাগিল । তেওঁ এইবাৰে আচৰিত হ'ল, ওচৰৰ দোকানত তেনেধৰণৰ চৰাই ৫টা স্বৰ্ণ মুদ্ৰাত পোৱা যায়, অথচ এই মানুহজনে সেই একে-ধৰণৰ চৰাই কাৰণে ৫০টা স্বৰ্ণমুদ্ৰা বিচাৰিছে ।

তেওঁ চৰাই বিক্ৰেতাদনক কলে, "বান্ধৈ, তুমি যে এই চৰাইটোৰ দাম ৫০ স্বৰ্ণমুদ্ৰা বিচাৰিছা ইয়াৰ বিশেষত্বনো কি ?"

চৰাই বিক্ৰেতাজনে কলে, " মহাশয়, এইটো এটা সাধাৰণ চৰাই নহয় যে ই মাথোঁ গছে গছে উৰিফুৰে । এইটো এটা বিশেষ ধৰণৰ ভাটো।"

"ইয়াৰ বিশেষত্ব কি ? দেখাতভো সাধাৰণ চৰাই যেনেই দেখি ।" নাছিৰুদ্দিনে কলে ।

"মহাশয়, এই চৰাইটোক ভাটো বুলি কয় আৰু ই কথা কব পাৰে ।" চৰাই বিক্ৰেকাজনে কলে ।

নাছিৰুদ্দিনে হঠাতে মনতে কিবা চিন্তা কৰিলে। তাৰপাছত ঘৰলৈ গৈ পিঁজৰাৰ পৰা ময়ূৰটো উলিয়াইলৈ বজাৰলৈ উভতি আহিল । তেওঁ ভাটো বিক্ৰেতাজনৰ ওচৰতে বহি চিঞৰিবলৈ ধৰিলে, " আহক, মাত্ৰ ১০০ স্বৰ্ণমুদ্ৰা দি এই ধুনীয়া চৰাইটো লৈ যাওঁক ।"

ভাটো চৰাই বিক্ৰেতাজনে বিৰক্ত হৈ কলে, "তোমাৰ চৰাইটোৰ বিশেষত্বনো কি । এইটো তেনেই সাধাৰণ ময়ূৰ এটা । এইটোৰ কাৰণে তুমি এশ স্বৰ্ণমুদ্ৰা বিচাৰিছা ? "

" কিন্তু তুমিওটো তোমাৰ চৰাইটোৰ কাৰণে ৫০ স্বৰ্ণমুদ্ৰা বিচাৰিছা ! নহয় নে ? " হোজাই কলে ।

"সেয়া মই কৈছো নহয়, মোৰ চৰাইটোৱে কথা কব পাৰে । তোমাৰ চৰাইটোৱে কেৱল খাব পাৰে ।" চৰাই বিক্ৰেতাজনে অলপ ইতিকিং কৰি কলে ।

"আ: ! মোৰ চৰায়ে কথা কব নোৱাৰিব পাৰে । কিন্তু চিন্তা কৰিব পাৰে ।" নাছিৰুদ্দিনে কলে ।

সত্যান্বেষক

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ মৌনভাবে শ্মশানৰ ফালে যাবলৈ ধৰিলে। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, “ৰাজন, অজ্ঞানতা আৰু মুৰ্খমীৰো এটা সীমা আছে । কিন্তু তুমি সেই সীমা চেৰাই গৈছা। তোমাৰনো লক্ষ্য কি, সেই কথা মই বাৰে বাৰে তোমাক সুধি আছো, কিন্তু তুমি তাৰ কোনো উত্তৰেই দিয়া নাই । মই কিমান যে জ্ঞানী, বিবেকবান লোকক লগ পাইছো, যি জীৱনত বহুত ভুল কৰিছে । কোনো চিন্তা ভাবনা নকৰাকৈ সিদ্ধান্ত লৈছে । যাৰ ফলত জীৱনৰ লক্ষ্যৰ পৰা আঁতৰি গৈ পথভ্ৰষ্ট হৈছে ।

সিদ্ধি লাভ কৰিলে । অলৌকিক শক্তিৰ অধিকাৰী হ'ল । তেওঁ পানীৰ ওপৰেৰে খোজকাঢ়ি যাব পাৰে, বতাহত উৰি ফুৰিব পাৰে। কিন্তু সেইবোৰক তেওঁ মহান শক্তিবুলি স্বীকাৰ কৰিবলৈ টান পাইছিল । তেওঁৰ মতে এই সিদ্ধি লাভ ক্ষণস্থায়ী । যিয়ে মৃত্যুক জয় কৰিব পাৰে সেই শক্তিহে মহান আৰু শাশ্বত শক্তি । সেই শক্তি লাভ কৰিবলৈ শশাঙ্কই পুনৰ ঘোৰ তপস্যাত মগ্ন হ'ল ।

শশাঙ্কৰ এই ঘোৰ তপস্যা দেখি গন্ধৰ্বলোকত হুলস্থূল লাগি গ'ল । তেওঁৰ তপস্যাৰ পৰা তেওঁলোকৰ মাজত ভয়ৰ সঞ্চাৰ হ'ল । গন্ধৰ্ব ৰজাৰ মনত সন্দেহ হ'ল, শশাঙ্কই তেওঁৰ সিংহাসনত আৰোহণ কৰিবলৈকে এই ঘোৰ তপস্যাত ব্ৰতী হৈছে । সেয়েহে শশাঙ্কৰ দ্বাৰা কোনো পাপ কৰোৱাৰ কথা আৰু তেওঁৰ তপস্যা নিষ্ফল কৰাৰ কথা ৰজাই চিন্তা কৰিবলৈ ধৰিলে ।

গন্ধৰ্ব ৰজাই দৈৱজ্ঞৰ ভেশ ধৰি স্বৰ্ণপুৰীলৈ গ'ল আৰু ৰজাক দেখা কৰি কলে, "মহাৰাজ, আপোনাৰ পুত্ৰ স্বৰ্ণকীৰ্তিৰ এই গোটেই বিশ্বৰে সম্ৰাট হোৱাৰ ক্ষমতা আছে । কিন্তু লগতে এটা সৰু বাধা আছে । পিতৃ হিচাবে পুত্ৰৰ এই বাধা দূৰ কৰা আপোনাৰ কৰ্তব্য, নহয় নে ?"

"এয়া মোৰ কৰ্তব্য বুলি স্বীকাৰ কৰিছো আৰু তাক মই পালন কৰিবলৈ সাজু আছো । কওক, মই কি কৰিব লাগিব ।" ৰজাই দৈৱজ্ঞক সুধিলে ।

"সৰ্বজীৱকোটি যজ্ঞ কৰিব লাগিব । ইয়াৰ অৰ্থ এয়ে, আপোনাৰ ৰাজ্যত যিমান জন্তু আৰু পক্ষী আছে প্ৰত্যেক বিধৰে একোটাকৈ এই যজ্ঞত বলি দিব লাগিব ।" দৈৱজ্ঞই কলে ।

তোমাক ঠিক পথেৰে লৈ যোৱাতো মোৰ কৰ্তব্য। তোমাৰ মনৰ শুধৰণিৰ কাৰণে মই তোমাক শশাঙ্ক নামৰ এজন তপস্বীৰ কাহিনী কম । তুমি মন দি শুনিবা ।" তাৰপাছত বেতালে কাহিনী কবলৈ আৰম্ভ কৰিলে ।

শশাঙ্ক আছিল সুবৰ্ণপুৰীৰ ৰাজপুৰোহিতৰ একমাত্ৰ পুত্ৰ । সৰুৰে পৰা শশাঙ্কৰ সাংসাৰিক বিষয়ৰ প্ৰতি কোনো আশক্তি নাছিল । তেওঁ ক্ৰমে সাংসাৰৰ প্ৰতি বিৰক্তবোধ কৰিবলৈ ধৰিলে আৰু সংসাৰ সুখ ত্যাগ কৰি ওচৰতে থকা অৰণ্যলৈ গৈ তপস্যা কৰিবলৈ ধৰিলে ।

এইদৰে তেওঁ কিছু বছৰ তপস্যা কৰি থাকিল । তাৰপাছত তেওঁ ফল-মূল খাবলৈও এৰি দিলে । কেৱল তুলসী জল পান কৰি জীৱন ধাৰণ কৰি থাকিল । তপস্যা কৰি তেওঁ

“কিন্তু এটা কথা,” এই বুলি কৈ দৈৱজ্ঞ অলপ ৰ’ল।

“কওক, সেইটোনো কি কথা ?” ৰজাই সুধিলে।

পশু-পক্ষীবোৰক সাধাৰণ মানুহৰ দ্বাৰা বলি দিলে নচলিব। যিয়ে নিজৰ ইন্দ্ৰিয়ৰ ওপৰত বিজয় প্ৰাপ্ত হৈছে সেই তপস্বীৰ দ্বাৰা এই কাম কৰাব লাগিব। তাৰোপৰি তেওঁ এনে তপস্বী হব লাগিব যিয়ে একেৰাহে এবছৰ কেৱল তুলসী জল খাই জীয়াই আছে।” দৈৱজ্ঞই এই চৰ্ত বান্ধি দিলে।

“এনে তপস্বী ক’ত পোৱা যাব ?” ৰজাই সন্দেহ কৰি সুধিলে।

“চেষ্টা কৰিলে নিশ্চয় পোৱা যাব। মনোৰথ সিদ্ধিৰস্তু।” এই আশীৰ্বাদ দি দৈৱজ্ঞ গুচি গ’ল।



দৈৱজ্ঞৰ মুখৰ পৰা তেওঁৰ পুত্ৰ সম্ৰাট হব বুলি শুনি ৰজাৰ মনত আনন্দ লাগিল। এজন পিতৃক, এজন ৰজাক ইয়াৰ বাহিৰেনো আৰু কি লাগে। যি কোনো পৰিস্থিতিতে এই যজ্ঞ কৰিব বুলি ৰজাই সিদ্ধান্ত কৰিলে। তেওঁ এই বুলি আদেশ দিলে ৰাজ্যত যিমান প্ৰকাৰ জন্তু আৰু পক্ষী আছে প্ৰত্যেক বিধৰে একোটাকৈ ধৰি আনি বলি দিয়াৰ কাৰণে সাজু কৰি ৰাখিব লাগে। তেওঁ ৰাজ্যত ঢোলপিটি শুনাই দিবলৈ কলে যে ৰাজ্যৰ প্ৰজাসকলৰ মঙ্গলৰ কাৰণে এক সৰ্বজীৱকোটি যজ্ঞ সম্পন্ন কৰা হব। ইয়াৰ কাৰণে এনে এক তপস্যীৰ আৱশ্যক যিয়ে নিজৰ ইন্দ্ৰিয়ক জয় কৰিব পাৰিছে আৰু এবছৰ তুলসী জল খাই জীয়াই আছে। এই ঘোষণাৰ দ্বাৰা প্ৰজাসকলক অনুৰোধ কৰা হ’ল যে যদি কোনোবাই এনে ধৰণৰ ব্যক্তিক লগ পাই তেনেহলে তেওঁ ৰজাক জনাব লাগে।

এই ঘোষণাৰ পঞ্চম দিনা ৰজাক দৰ্শন কৰিবলৈ এজন চিকাৰী আহিল। তেওঁ ৰজাক জনালে যে অৰণ্যৰ মাজত তেওঁ এজন নিৰাহাৰ তপস্যীক দেখা পাইছে।

ৰজাই মন্ত্ৰীক মাতি আনি কলে, “আপুনি তৎক্ষণাত অৰণ্যৰ মাজলৈ গৈ যিকোনো প্ৰকাৰে বুজাই-বঢ়াই সেই তপস্বীক ইয়ালৈ লৈ আহক।”

মন্ত্ৰীয়ে তপস্বী শশাঙ্কক লগ ধৰি গোটেই ঘটনাৰ কথা বৰ্ণনা কৰি উঠি কলে, “এই যজ্ঞৰ পৰা দেশ তথা দেশৰ প্ৰজাসকলৰ কল্যাণ হব। এইটো মাথো আপোনাৰ হাতেৰেহে সম্ভৱ হব। ইয়াৰ পৰিবৰ্তে আপুনি যি বিচাৰে ৰজাই তাকে দিব। ৰজাই আপোনাক প্ৰধান



উপদেষ্টাৰ পদত নিযুক্ত কৰিব । ভৱিষ্যতৰ বংশধৰসকলক আপুনি যাতে ভালদৰে প্ৰশিক্ষণ দি উপযুক্ত নাগৰিক কৰি গঢ়ি তুলিব পাৰে, তাৰ কাৰণে আপোনাৰ আশ্ৰমৰ কাষতে এখন বিদ্যালয় স্থাপন কৰাই দিয়া হব ।" কিন্তু শশাঙ্কই মন্ত্ৰীৰ প্ৰস্তাৱ নাকচ কৰি কলে, "যজ্ঞৰ নামত জীৱ জন্তু বলি দিয়া পাপ । এইটো মোৰ মতৰ বিৰুদ্ধ ।"

"ৰজাই আপোনাৰ কাৰণে প্ৰশান্ত উপবনৰ মাজত এটা সুন্দৰ ভৱন নিৰ্মাণ কৰাই দিব । সকলো প্ৰকাৰৰ সুখ সুবিধাই তাত থাকিব ।" মন্ত্ৰীয়ে কলে ।

"মই এজন তপস্বী । এই জীৱনেই মোৰ কাৰণে উত্তম । ইয়াতেই মোৰ সুখ । মোৰ লক্ষ্য পূৰণৰ কাৰণে এই অৰণ্যই মোৰ অনুকুল স্থল ।" শশাঙ্কই দৃঢ়ভাবে কলে ।

তপস্বীক সৈমান কৰাব নোৱাৰি মন্ত্ৰী ৰাজধানীলৈ উলতি আহিল । তেওঁ ৰজাৰ আগত সকলো কথা বিৱৰি কলে । তেতিয়া ৰজাই কলে, "আপুনি তপস্বীক কওকগৈ যে, মই মোৰ কন্যাক তেওঁৰ লগত বিবাহ দিম আৰু মোৰ ৰাজ্যও তেওঁক অৰ্পণ কৰিম ।"

পিতাকৰ কথা শুনি ৰাজকুমাৰী ভাগৱী স্তম্ভিত হৈ ৰ'ল । ৰজাই জীয়েকৰ মনোভাব বুজিব পাৰি আশ্বাস দি কলে, "ভয় নকৰিবা। প্ৰথমতে যজ্ঞৰ কাম সম্পূৰ্ণ হবলৈ দিয়া । তাৰপাছত যি হয় দেখা যাব ।"

পিতাকৰ মতি-গতি ভাগৱীৰ মনত ভাল নালাগিল । তথাপি প্ৰজাৰ কল্যাণৰ কথা চিন্তা কৰি তাই মনে মনে থাকিল ।

মন্ত্ৰীৰ সৈতে ৰাজকুমাৰীও অৰণ্যৰ মাজলৈ গ'ল । মন্ত্ৰীয়ে তপস্বীক লগ ধৰি কলে, "হে তপস্বী, আপুনি যদি তাত গৈ উপস্থিত হৈ যজ্ঞ সম্পন্ন কৰে, তেনেহলে এই ৰাজকুমাৰী আপোনাৰ ধৰ্মপত্নী হব । ৰজা মাৰ্ত্তণ্ডবৰ্মাৰ পিছত আপুনিয়েই সেই দেশৰ ৰজা হব । এয়া মহাৰাজৰ প্ৰতিজ্ঞা ।"

শশাঙ্কই ৰাজকুমাৰীৰ ফালে চালেতো থৰ হৈ চায়েই থাকিল । ৰাজকুমাৰীৰ ৰূপত শশাঙ্ক মুগ্ধ হ'ল । নিজৰ জীৱনৰ লক্ষ্যৰ কথা পাহৰি গৈ তেওঁ কলে, "ঠিক আছে, এই ৰূপকন্যাক বিবাহ কৰাই ৰজা হম।"

সোণৰ ৰথত উঠি তেওঁলোক তিনিও স্বৰ্ণপুৰী অভিনুখে যাত্ৰা কৰিলে ।

যজ্ঞশালা নিৰ্মাণ কৰা হ'ল । হাজাৰ হাজাৰ পশু পক্ষী যজ্ঞস্থলিলৈ লৈ অহা হ'ল । ৰজা আৰু মন্ত্ৰী খড়্গধাৰী শশাঙ্কৰ সৈতে যজ্ঞস্থানলৈ আহিল । যজ্ঞকুণ্ডৰ কাষলৈ বলিৰ কাৰণে এটা

হাতী লৈ অহা হ'ল । হাতী বলি দিবলৈ শশাঙ্কই খড়্গ দাঙিলে । হাতীটো ভয়তে চিঞৰি উঠিল। তেতিয়া অন্যান্য পশুবোৰেও চকুপানী টুকিবলৈ ধৰিলে ।

শশাঙ্ক চমকি উঠিল আৰু দাখন দূৰলৈ দলি মাৰি দিলে । তাৰ পাছত ৰজাক উদ্দেশ্য কৰি কলে, "মহাৰাজ, ক্ষমা কৰিব । মই এই পাপ কৰিব নোৱাৰো । পাপ কৰিবলৈ মোৰ ভিতৰত যি প্ৰবৃত্তি জাগিছে তাৰ প্ৰায়শ্চিত্ত কৰিম। ইয়াৰ কাৰণে মোক ইয়াৰ পৰ যাবলৈ অনুমতি দিয়ক।"

এইবুলি কৈ তেওঁ মানুহৰ মাজেৰে অৰণ্য অভিমুখে গুচি গ'ল ।

বেতালে শশাঙ্কৰ কাহিনী শেষ কৰি ৰজাক কলে, "ৰাজন, শশাঙ্কই ৰাজকুমাৰীৰ ৰূপ দেখি মুগ্ধ হ'ল । ৰজা হোৱাৰ প্ৰলোভনত পৰি জন্তুবোৰক বলি দিবলৈকে ৰাজি হ'ল । কিন্তু জন্তুবোৰক বলি দিবলৈ যোৱাৰ আগতে হঠাতে কিয় তেওঁৰ মনৰ পৰিবৰ্তন হ'ল? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি মৌন হৈ থাকা তেনেহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব।"

ইয়াৰ উত্তৰত ৰজা বিক্ৰমে কলে, "শশাঙ্কৰ মনৰ অকস্মাৎ পৰিবৰ্তনৰ কাৰণ তেওঁৰ মনৰ ভয় নহয় অথবা তেওঁৰ মনত চঞ্চলতাও নাই । তেওঁৰ নিজৰ আশা ভঙ্গ হোৱা দেখিও তেওঁ এইটো কৰা নাই । শশাঙ্কৰ সাংসাৰিক জীৱনলৈ যে কোনো আশক্তি নাই, আমি এই কথা পাহৰি যোৱা উচিত নহব । তেওঁ এজন সত্যান্বেষী । এনে এজন তপস্বীয়ে ৰাজকুমাৰীৰ ৰূপ দেখিয়ে বিচিত্ৰ অনুভূতিৰ বশ হৈ গ'ল । ৰাজ্যৰ লোভত তেওঁ মন্ত্ৰী আৰু ৰাজকুমাৰীৰ সৈতে স্বৰ্ণপুৰীলৈ আহিল । এই সকলোবোৰ গন্ধৰ্ব ৰজাৰ মায়াজাল । ইয়াৰ মানে গন্ধৰ্বসকলে তেওঁৰ মনত ভ্ৰম উৎপন্ন কৰি দিছে । হাতীৰ চিঞৰ আৰু পশু পক্ষীৰ কাতৰ বিলাপে তেওঁৰ মনৰ ভ্ৰম দূৰ কৰি দিলে। তেওঁ তৎক্ষণাত বুজিব পাৰিলে তেওঁ কিমান ডাঙৰ অপৰাধ কৰিবলৈ ওলাইছিল । সেয়েহে তেওঁ ৰজাৰ ওচৰত ক্ষমা বিচাৰি নিজৰ জীৱনৰ লক্ষ্য সাধনৰ উদ্দেশ্যে তেওঁ আকৌ তপস্যা কৰিবলৈ গ'ল ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল ।

- ৰমা চৌধুৰী

ভগবানৰ সৈতে জুৱা খেলা

চহৰখনত প্ৰচুৰ জুৱাখেল বহিছিল, কিন্তু সোমদত্তৰ নিচিনাকৈ কোনেও জুৱাখেলৰ কৌশল নাজানিছিল । সকলো খেলতে তেওঁ জয়লাভ কৰিছিল । সেয়েহে জুৱাৰীসকলে তেওঁৰ লগত জুৱা নেখেলিছিল । সোমদত্তই জুৱা খেলি যি উপাৰ্জন কৰিছিল সেই ধন তেওঁ অসহায় লোকৰ মাজত বিতৰণ কৰিছিল ।

চহৰৰ পৰা অলপ দূৰৰ এটা গুহাত এজন ঋষি বাস কৰিছিল । সোমদত্তই ঋষিজনক বৰ সন্মান কৰিছিল । তেওঁ প্ৰায়ে ফল-মূল আৰু সুস্বাদু খাদ্যবস্তু কিনি ঋষিক দিছিল । সোমদত্তই আৰু কৈছিল, "হে ঋষিবৰ, মই এজন মূৰ্খ । ভগবানক কেনেকৈ প্ৰাৰ্থনা কৰিব লাগে তাক নাজানো । আপুনি ভগবানক প্ৰাৰ্থনা কৰি কব, ভগবানে মোক যাতে দয়া কৰে ।"

তেতিয়া ঋষিয়ে কৈছিল, "বাচা, ভগবানক সদায় ভক্তি কৰিবা । যেনেকৈয়ে আৰাধনা নকৰা কিয়, ভগবান সন্তুষ্ট হব । তোমাৰ কৰ্মৰ মাজেৰেও ভগবানক চিন্তা কৰিব পাৰা ।

জুৱাই সোমদত্তৰ একমাত্ৰ উপাৰ্জনৰ পথ । এদিন ডাৱৰীয়া বতৰত সোমদত্ত জুৱাৰ আড্ডাবোৰলৈ গৈছিল, কিন্তু কোনেও তেওঁক খেলিবলৈ নিদিলে । তেতিয়া সন্ধিয়া হৈছিল । সোমদত্তৰ খুব ভোক লাগিছিল । চহৰৰ বাহিৰত এটা শিৱ মন্দিৰ আছিল । সোমদত্ত তালৈকে গৈছিল । চাকিৰ পোহৰত তেওঁ দেখিবলৈ পাইছিল দেৱ মূৰ্ত্তিৰ সন্মুখত কিছুমান খোৱা বস্তু পৰি আছে । তেওঁ দেৱতাৰ আগত আঠুলৈ কৈছিল, "হে প্ৰভু, মোৰ খুব ভোক লাগিছে । আপোনাৰ সন্মুখত পৰি থকা প্ৰসাদবোৰ মই বাৰু খাব পাৰো নে ?" হঠাতে তেওঁ কোনোবাই কোৱা যেন শুনিলে- 'তুমি সেইবোৰ খাব পাৰা।

সোমদত্তৰ মনত আনন্দ লাগিছিল । তেওঁ ভগবানক কৃতজ্ঞতা জনাই কৈছিল, "হে প্ৰভু,

মই কিহেৰে তোমাক পূমিন? মই প্ৰাৰ্থনা কৰিবও নাজানো, মই তোমাৰ স্তুতি গীতো নাজানো। মই মাথোঁ জানো জুৱা খেলিবলৈ । ঋষিয়ে কৈছিল যে কৰ্মৰ যোগেদিও ভগবানক আৰাধনা কৰিব পাৰি । মই মোৰ জুৱাখেলৰ কৌশল প্ৰদৰ্শন কৰি তোমাক দেখুৱাম নেকি ? কিন্তু সমস্যা হৈছে এজনে অকলে জুৱা খেলিব নোৱাৰে । অন্ততঃ আৰু এজনৰ আৱশ্যক । নহলে অকলে মই কেনেকৈ জুৱা খেলিম ?

হঠাতে তেওঁৰ মনত এটা বুদ্ধি খেলালে । তেওঁ অতি উৎসাহিত হৈ কলে, “হে প্ৰভু, তুমি বাৰু মোৰ লগত খেলিবা নেকি ? ঠিক আছে, মোৰ সোঁহাতখনে তোমাৰ হৈ খেলিব আৰু বাওঁহাতখনে মোৰ হৈ খেলিব । সেইটো বাৰু ঠিক হব নে ?”

তেওঁৰ মনত এনে লাগিল যেন ভগবানৰ ইয়াত কোনো আপত্তি নাই । সোমদত্তই কলে, “যদি মই পৰাজিত হওঁ, তেনেহলে মই পিন্ধিথকা মোৰ একমাত্ৰ সম্বল এই চোলাটো তোমাক দিম । আৰু যদি তুমি পৰাজিত হোৱা তেনেহলে তোমাৰ ইয়াৰ পৰা মোৰ ভাল লগা বস্তু এটা লৈ যাম । হবনে বাৰু ?”

সোমদত্তৰ মনত এইবাৰো দেৱতাই সন্মতি জনোৱা যেন লাগিল । তেওঁ এটা সাধাৰণ খেল খেলিলে । সোঁহাতখনে দেৱতাৰ হৈ আৰু বাওঁ হাতখনে সোমদত্তৰ নিজৰ হৈ খেলিলে ।

হঠাতে সোমদত্তই হাততালি বজাই কলে, “প্ৰভু, তুমি হাৰিল ! কিন্তু তোমাক নিৰাশ হোৱা যেন দেখা নাই । মই ভাবো, তুমি প্ৰথমবাৰ জুৱা খেলিছাতো, সেয়ে চাগে এনে হৈছে । সেইবোৰ যি নহওক, আমাৰ চৰ্তমতে মই তোমাৰ পৰা ভাল লগা বস্তু এটা লৈ যাম । ঠিক আছেনে ? বাৰু মই চাওঁ ৰবা তোমাৰ ইয়াতনো কি আছে .....?

তেওঁ চাকিটো দাঙি চাৰিওফালে এবাৰ চালে। তাত কিছুমান শিল আৰু ধাতুৰে গঢ়া দেৱ-দেৱীৰ মূৰ্ত্তি আছিল । তাৰ ভিতৰত তেওঁ দুৰ্গাৰ মূৰ্ত্তি এটা পছন্দ কৰি তুলি ললে । তাৰ পাছত তেওঁ নিজক কোৱাদি কলে, “আঃ ! এই মূৰ্ত্তিটো কি ধুনীয়া ! মোৰ মা নাই । এই মূৰ্ত্তিটোৱে মোৰ মা হব । মই এইটো ঘৰলৈ লৈ যাম ।”

হঠাতে সোমদত্তই কোনোবাই কোৱা যেন শুনিলে -- “এটা দেৱীমূৰ্ত্তি ৰখা ইমান সহজ নহয় । তুমি তাক ভালদৰে ৰাখিব লাগিব । দৈনিক পূজা কৰিব লাগিব । পূজা কৰিবলৈ পূজাৰী ৰাখিব লাগিব । তুমি পাৰিবানে ? তাৰোপৰি তুমি দেৱতাৰ মূৰ্ত্তি চুৰিৰ আপৰাধত পৰি শাস্তি ও পাব পাৰা !”

“সঁচা কথা,” এইবুলি কৈ সোমদত্তই আগৰ ঠাইত মূৰ্ত্তিটো থৈ দিলে । “কিন্তু মই সুদা হাতে যামনে ?”

“হে মূৰ্খ, তোমাক এজনী মাতৃৰ নহয় এজনী পত্নীৰহে আৱশ্যক ! তুমি মোৰ পিছফালে লুকাই



থাকা । তুমি এনে এজনী ধুনীয়া গাভৰু দেখিবলৈ পাবা যাক আগতে তুমি কেতিয়াও দেখা নাই।" এইদৰে সোমদত্তক কোনোবাই কোৱা যেন পালে ।

সোমদত্তই মূৰ্ত্তিটোৰ পাছফালে লুকাই থাকিল । সেইদিনা আছিল পূৰ্ণিমাৰ নিশা । প্ৰতি বছৰে এবাৰকৈ তিলোত্তমা নামৰ এজনী অপ্সৰাই এনে এক নিশা দেৱতাৰ মূৰ্ত্তিৰ সন্মুখত আহি নৃত্য কৰে । সেইদিনাও অপ্সৰাই আহি নৃত্য কৰিবলৈ ধৰিলে । সোমদত্তই আচৰিত হৈ চাই থাকিল । নৃত্য শেষ হোৱাৰ লগে লগে সোমদত্ত ওলাই আহি কলে, "তুমি যিয়েই নোহোৱা, তুমি মোক বিয়া কৰাব লাগিব । দেৱতাই মোক এই কথাই কৈছে !

অপ্সৰাজনীয়ে আচৰিত হৈ এবাৰ সোমদত্ত আৰু এবাৰ দেৱতাৰ মূৰ্ত্তিটোৰ ফালে চালে । অপ্সৰাজনীয়ে দেৱতাৰ পৰা কিবা আদেশ পাইছিল নেকি বাৰু? হবও পাৰে । "ঠিক আছে যুৱক, আমি যাওঁ বলা," তাই কলে ।

সোমদত্তই তাইৰ পিছে পিছে কুঞ্জবনৰ ফালে গৈ থাকিল । পূৰ্ণিমাৰ জোনৰ পোহৰত অপ্সৰাৰ ৰূপ দেখি সোমদত্ত অবাক হৈ চাই থাকিল ।

অপ্সৰাজনীয়ে এটা মৃদু হাঁহি মাৰি সুধিলে, "আমি থাকিবলৈ তোমাৰ ঘৰ আছেনে ? তুমি মোক পোহপাল দিব পৰা ধন আছে নে ? চাকৰ-নাকৰ আছেনে ?"

"সেইবোৰ একো নাই ?" সোমদত্ত মূৰটো লৰাই কলে ।

"গতিকে যুৱক, তোমাৰ যিটো আৱশ্যক সেয়া অকল এজনী পত্নীয়ে নহয়, লগতে ঘৰ আৰু ধনবো দৰকাৰ । মই ঠিক কোছো নে ?" তাই সুধিলে ।

"তুমি ঠিকেই কৈছা ।" সোমদত্ত অপ্সৰাৰ কথাত একমত হ'ল ।

"তুমি চিন্তা নকৰিবা । এই বিষয়ে মই কিবা এটা কৰিম । যিহেতু মই এজনী দেৱকন্যা মই মানুহক বিয়া কৰাব নোৱাৰো । এইবুলি কৈ তাই চকুমুদি মৌন হৈ থিয় হৈ ৰ'ল আৰু মাতটো অলপ সৰু কৰি সোমদত্তক কিবা উপদেশ দি তাৰপৰা অদৃশ্য হৈ গ'ল ।

কিছুদিনৰ ভিতৰতে সকলোৱে জানিব পাৰিলে যে সেই দেশৰ ৰাজকুমাৰীৰ কিবা চিনিব নোৱাৰা বেমাৰ হৈছে । ৰাজকুমাৰীৰ নাম যদিও কমলকুমাৰী তাই নিজকে কিন্তু তিলোত্তমা বুলিহে কয় । তাইক যি ভাল ভাল বস্তু খাবলৈ দিয়া হয় তাই সেইবোৰ নাখায় । তাই সদায় অসংলগ্নভাবে কিবা কিবি কৈ থাকে। মাজে মাজে তাই দেৱৰাজ ইন্দ্ৰৰ ৰাজসভাৰ কথাও কয় ।

কোনো বৈদ্যই ৰাজকুমাৰীৰ বেমাৰ ভাল কৰিব পৰা নাই । দিনে দিনে বেমাৰ বাঢ়ি যোৱা বাবে ৰজাই ঘোষণা কৰিলে যে যিয়ে

ৰাজকুমাৰীৰ বেমাৰ ভাল কৰিব পাৰিব তেওঁ যি বিচাৰে তাকে দিয়া হব ।

সোমদত্তই ইয়াৰ আচল কথাটো জানিছিল। অপ্সৰা তিলোত্তমাই ৰাজকুমাৰীৰ গাত লম্ভিছে। যেতিয়াই সোমদত্তই ৰাজকুমাৰীক ভাল কৰাৰ দায়িত্ব লব তেতিয়াই তাই এৰি গুচি যাব ।

ৰাজকুমাৰীয়ে ৰজা-ৰাণীৰ একমাত্র সন্তান। সোমদত্ত গৈ দেখিলে ৰজা আৰু ৰাণীয়ে চকুপানী টুকি আছে । তেওঁলোকে ধৰি লৈছিল ৰাজকুমাৰী আৰু নাবাচে ।

সোমদত্তই ৰজাৰ ওচৰলৈ গৈ কলে, "মহাৰাজ, মই ৰাজকুমাৰীক ভাল কৰিব পাৰিম যেন লাগিছে । মই বাৰু এবাৰ চেষ্টা কৰি চাব পাৰোনে ?"

"চোৱা, চেষ্টা কৰি চোৱাত আপত্তি নাই । কিন্তু যদি কৃতকার্য্য হব নোৱাৰা তেনেহলে তুমিও ইহসংসাৰ ত্যাগ কৰি পৰলোকত মোৰ ছোৱালীৰ সঙ্গী হব লাগিব," ৰজাই কলে । "আৰু যদি ৰাজকুমাৰীক ভাল কৰিব পাৰা, তোমাৰ লগত তাইৰ বিয়া পাতি দিম ।" ৰাণীয়ে কলে ।

সোমদত্তই ৰাজকুমাৰীক অকলে এৰি ৰজা আৰু ৰাণীক যাবলৈ কলে । তেওঁলোক যোৱাৰ পিছত সোমদত্তই ৰাজকুমাৰীৰ কাণে কাণে কলে, "হে অপ্সৰা তিলোত্তমা ! তুমি মোক অশেষ দয়া কৰিলা । এতিয়া ৰাজকুমাৰীৰ দেহৰ পৰা আঁতৰি যোৱা আৰু তুমি যে গৈছা মোক চিন দেখুৱা । নহলে মই মৰিলো ।"

সোমদত্তই কথাখিনি শেষ কৰা লগে লগে ৰাজকুমাৰীয়ে চকু মেলি চালে আৰু আচৰিত হৈ কলে, "কি আচৰিত ! সপোনত মই আপোনাকে দেখিছো আৰু আপুনি মোৰ সম্মুখত ! মই ক'ত আছো ?"

"মোৰ বিষয়ে কি সপোন দেখিছিলা ?" সোমদত্তই সুধিলে । ৰাজকুমাৰীয়ে একো নামাতিলে ।

সোমদত্তৰ আগত একো নকলেও ৰাজকুমাৰীয়ে মাকৰ আগতে কলে, কেনেকৈ এজনী দেৱকন্যাই কৈছিল, তোমাৰ ভাবী পতি তোমাৰ সম্মুখত আহি উপস্থিত হব আৰু ঠিকেত সেই যুৱককে দেখিলে ।

অতি সোনকালে মহা ধুমধামেৰে সোমদত্ত আৰু ৰাজকুমাৰীৰ বিয়া হৈ গ'ল । কিছুদিনৰ ভিতৰতে ৰজাই অৱসৰ লৈ সোমদত্তক ৰজা পাতিলে । এইদৰে ঘৰবাৰী নোহোৱা মানুহ এজন ৰজা হ'ল । ৰজা হৈয়ে তেওঁ পুৰণি শিৱ মন্দিৰটোৰ ঠাইত এটা ধুনীয়া শিৱ মন্দিৰ নির্মাণ কৰি দিয়ালে ।

ধৰ্মই পৰমেশ্বৰ !

সোমনাথ মিৰ্জাপুৰ গাঁৱৰ ওচৰতে পাহাৰৰ ওপৰত থকা গণেশ মন্দিৰৰ এজন প্ৰধান কৰ্মচাৰী । যেতিয়া তেওঁ ৰাতিপুৱা মন্দিৰলৈ যাবলৈ বুলি ওলাইছিল তেতিয়া তেওঁৰ পত্নী সুভদ্ৰাই কলে, "আগতেওঁ দুই তিনিবাৰ মই আপোনাক একেটা কথাকে কৈছো । আমাৰ ছোৱালীজনীক বিয়া দিয়াৰ সময় হৈছে। অহা বছৰ আমাৰ ল'ৰাই উচ্চ শিক্ষাৰ কাৰণে চহৰলৈ যাব বিচাৰিছে । আপোনাৰ উপাৰ্জনৰতো কোনো বৃদ্ধি হোৱা নাই । মই বুজিব পৰা নাই এই সমস্যাবোৰ কেনেকৈ সমাধান কৰা যাব ?"

সোমনাথে যেতিয়া পঢ়া সম্পূৰ্ণ কৰি চাকৰিৰ সন্ধানত ঘূৰি ফুৰিছিল সেই সময়তে গাঁৱৰ মানুহে গাঁৱৰ মাজত এটা পুখুৰী খান্দিছিল । তেতিয়া মাটিৰ তলত এটা গণেশৰ মূৰ্ত্তি পোৱা গৈছিল । গাঁৱৰে এজন অৱস্থাপন্ন লোকে তৎক্ষণাত এটা মন্দিৰ সজাই দিলে আৰু নিবনুৱা সোমনাথক মন্দিৰতে সংস্থাপন দিলে। তেওঁৰ দৰমহাৰো ব্যৱস্থা কৰি দিলে।

দিনে দিনে মন্দিৰলৈ অহা ভক্তৰ সংখ্যা বাঢ়ি যাবলৈ ধৰিলে । কাৰণ মন্দিৰলৈ অহা ভক্তসকলৰ দৃঢ় বিশ্বাস আছিল যে এই মন্দিৰত যি প্ৰাৰ্থনা কৰা হয় সেয়া ফলৱতী হয় । মন্দিৰৰ নাম ইমান বাঢ়ি গ'ল যে দূৰ-দূৰণিৰ পৰাও ভক্তসকল পূজা কৰিবলৈ ইয়ালৈ আহিবলৈ ধৰিলে । ক্ৰমে মন্দিৰৰ উপাৰ্জন বাঢ়িবলৈ ধৰিলে । সোমনাথে মন্দিৰৰ উপাৰ্জনৰ টকা পইচাবোৰ ভালদৰে সুৰক্ষিত কৰি ৰাখিছিল । আৱশ্যক হলে ভক্তৰ সুবিধাৰ কাৰণে সেই ধন খৰছ কৰিছিল । মানুহবোৰেও সোমনাথক সম্পূৰ্ণ বিশ্বাস কৰিছিল আৰু তেওঁৰ কৰ্ত্তব্যপৰায়ণতাৰ প্ৰশংসা কৰিছিল ।

এফালে গণেশ মন্দিৰৰ প্ৰসাৰ বৃদ্ধি হৈ গৈছিল আৰু আনফালে সোমনাথৰো সংসাৰ বাঢ়ি গৈছিল । তেওঁৰ দায়িত্বও বাঢ়ি গৈছিল । জীয়েকক বিয়া দিয়াৰ বয়স হ'ল। পুতেকক উচ্চ শিক্ষা দিব লাগে । কিন্তু তেওঁৰ উপাৰ্জন আগতে যি আছিল সেয়াই আছে । উপাৰ্জনৰ টকাৰে কোনোমতেহে ঘৰ চলাব পাৰে । ল'ৰা, ছোৱালী সংসাৰলৈ সুভদ্ৰাৰ চিন্তা দিনে দিনে বাঢ়ি গৈছিল । মাজে মাজে সোমনাথকো এইবোৰ কথা কয়।

আচলতে সুভদ্ৰাৰ ইচ্ছা আছিল মন্দিৰৰ যি উপাৰ্জন হয় তাৰে এটা অংশ নিজৰ পৰিয়ালৰ কাৰণে খৰছ কৰিব লাগে । সোমনাথে আগৰে পৰা পত্নীৰ ইচ্ছাৰ কথা জানিছিল । কিন্তু এইবোৰ কৰাতো তেওঁ পছন্দ নকৰিছিল । সুভদ্ৰাইও সেই একেটা কথাকে সদায় খেচখেচাই আছিল । কথাতে কয়, ঘঁহি থাকিলে শিলো ক্ষয় যায় । নাজানো, সোমনাথে কি সিদ্ধান্ত ললে, পিছে তেওঁ এদিন সুভদ্ৰাক কলে, "ঠিক আছে, মোক ভাবিলৈ দিয়া । কিহৰ ইমান তাৰাতাৰি? মোক আৰু বেচি নকবা । কেইদিনমান মোক ভাবিলৈ সময় দিয়া ।"

এই ঘটনাৰ দুদিন পিছত মন্দিৰৰ এটা কোঠালিৰ ভিতৰত সোমনাথে যেতিয়া কিবা কাম কৰি আছিল । সেই সময়তে এজন কৃষকে গৰুগাড়ী এখনত নিজৰ পাৰিয়াল লৈ মন্দিৰলৈ আহিছিল । লগতে এবস্তা চাউলো আনিছিল ।

"কি, কিবা মানস কৰিছিল নেকি ?" সোমনাথে সুধিলে ।

"হয় । মোৰ এজনী বয়সীয়া ছোৱালী আছিল । তাই পঙ্গু । মই এই ছোৱালীজনীক বিয়া দিয়াৰ বিষয়লৈ খুব চিন্তিত আছিলো । যোৱা বছৰ মই এই মন্দিৰলৈ আহি মানস



কৰিছিলো যে যদি মোৰ ছোৱালীজনীৰ বিয়া হয় তেতিয়াহলে সপৰিবাৰে ইয়ালৈ আহি এবস্তা চাউল অৰ্পণ কৰিম । ভগবান গণেশৰ কি আশীৰ্বাদ ! এবছৰ সম্পূৰ্ণ নহওতে এজন ভাল ল'ৰাৰ সৈতে তাইৰ বিয়া হৈ গ'ল । সেয়েহে আমি মানস কৰা চাউল সমৰ্পণ কৰিবলৈ ইয়ালৈ আহিছো ।" কৃষকজনে আনন্দিত হৈ কথাখিনি কলে ।

"বৰ ভাল হৈছে ।" সোমনাথে কলে । কৃষকজন গুচি যোৱাৰ পিছত তেওঁ এটা কথা চিন্তা কৰিবলৈ ধৰিলে । শেষত এক সিদ্ধান্তত উপনিত হ'ল ।

সেইদিনা ৰাতিয়ে সুভদ্ৰাই সোমনাথক সুধিলে, "মোৰ কথাটো মনত আছেনে ? কি সিদ্ধান্ত কৰিলে ?"

"মই তোমাৰ ইচ্ছা পূৰণ কৰিব নোৱাৰিম।" সোমনাথে সাহসেৰে কথাখিনি কলে ।

"তেনেহলে আমাৰ জীয়ৰীৰ বিয়া কেনেকৈ হব ? কেনেকৈ পুত্ৰক উচ্চ শিক্ষা দিম ?" সুভদ্ৰাই খং কৰি সুধিলে ।

তেতিয়া সোমনাথে কলে, "মই যি কব খুজিছো শান্ত হৈ শুনা । কিমান দূৰ-দূৰনিৰ পৰা মানুহ আহি গণেশ পিতাক দৰ্শন কৰে। আমিতো প্ৰতিদিন, সকলো সময়তে তেওঁৰ সেৱাতে লাগি আছো । তেওঁ বাৰু আমাক চকুমেলি নাচাবনে? যিদিনাখন তেওঁ আমাৰ গাঁৱত আবিৰ্ভাৱ হ'ল সেইদিনাই তেওঁ মোৰ জীৱিকাৰ পথ দেখুৱালে । চোৰ কৰি মই তেওঁৰ দৃষ্টিত পাপী হব নোখোজো। নিজৰ কৰ্ত্তব্য ঠিকমতে কৰি গলে, কোনো বেয়া কাম নকৰিলে, তেওঁ নিশ্চয় এদিন মূৰ দাঙি চাব। মই ধৰ্ম ৰক্ষা কৰিলে তেওঁ আমাক ৰক্ষা কৰিব । পৰমেশ্বৰ ধৰ্মৰ স্বৰূপীয়েই ।" অতি বিশ্বাসেৰে সোমনাথে কথাখিনি কলে।

সোমনাথৰ কথা শুনি সুভদ্ৰাৰো জ্ঞানোদয় হ'ল । তেওঁ আৰু একো নামাতিলে । ইয়াৰ পিছত সুভদ্ৰাই কোনো দিনে আৰু এই বিষয় লৈ একো কোৱা নাই ।

সোমনাথৰ বিশ্বাসো অথলে নগল । এজন বন্ধুৰ সহায়ত তেওঁৰ ছোৱালীৰ ভাল ঘৰৰ ল'ৰাৰ লগত বিয়া ঠিক হ'ল । ল'ৰাজনো পঢ়াত খুব ভাল আছিল । সেয়েহে সিও ছাত্ৰবৃত্তি পালে । এইদৰে ভগবান গণেশৰ কৃপাত সোমনাথৰ সংসাৰ সুখে শান্তিৰে চলি থাকিল ।



ভাৰতৰ বিষয়ে জানি লোৱা

পাঁচ চেপ্তেম্বৰত ডঃ এচ ৰাধাকৃষ্ণনৰ জন্ম দিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয়। এই মাহৰ প্ৰশ্নাৱলীত শিক্ষাবিদ আৰু শিক্ষানুষ্ঠানৰ বিষয়ে সোধা হব । তোমাৰ কাৰণে উত্তৰ দিয়াতো উজু নহবও পাৰে । তথাপি এবাৰ চেষ্টা কৰি চোৱা ।

১. কোন এচট্ৰফিজিচিষ্টে ১৯৫৫ চনত ক'লকাতাত ইনষ্টিটিউট অফ নিউক্লিয়াৰ ফিজিক্স স্থাপন কৰিছিল ?

২. ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ বিৰুদ্ধে বৃটিছসকলৰ বিজয় উপলক্ষে ভগবানক ধন্যবাদ জনাই চিমলাত এখন স্কুল স্থাপন কৰা হৈছিল । স্কুলখনৰ নাম কি ?

৩. হিন্দু পৌৰাণিক আখ্যান মতে দেৱতাসকলৰ শিক্ষক কোন ?

৪. 'পি'ৰ আধুনিক মূল্য ধৰি গণনা কৰি কোনজন ভাৰতীয় গণিতজ্ঞই খ্যাতি অৰ্জন কৰিছে?

৫. ৰুৰকী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ সময়ত ইয়াৰ এক অন্য নাম আছিল । সেই নামটো কি আছিল?

৬. চেক্সপিয়েৰৰ ফাৰ্ষ্ট ফলিও (নাটকবোৰৰ সংস্কৰণ) বৰ দুস্প্ৰাপ্য । এখন ভাৰতীয় শিক্ষানুষ্ঠানত ইয়াৰ কপি এটা আছে । শিক্ষানুষ্ঠানখনৰ নাম কি ?

৭. ৰবি জে. মাথাই-এ গুজৰাটত স্থাপন কৰা প্ৰধান শিক্ষানুষ্ঠানখনৰ নাম কি ?

৮. মাইচোৰ বিশ্ববিদ্যালয়ৰ এজন উপাচাৰ্য্য পূৰ্বতে ৰজা শাসিত পাটিয়ালা ৰাজ্যৰ মন্ত্ৰী আছিল। তেওঁক 'চৰ্দাৰ' উপাধি দিয়া হৈছিল । উপাচাৰ্যজনৰ নাম কি ?

(উত্তৰ অহা সংখ্যাত)

আগষ্ট সংখ্যাৰ প্ৰশ্নাৱলীৰ উত্তৰ

১.শনমুগম চেট্ৰি
২.ড: জাকিৰ হুছেইন (১ বছৰ ১১ মাহ ২০ দিন)
৩.১৯৮৯
৪.প্ৰধানমন্ত্ৰী অটল বিহাৰি বাজপায়ী
৫.৫০
৬.উপ-সভাপতি
৭.অন্ধ্ৰ প্ৰদেশ
৮.মহে-পণ্ডিছেৰি ৰাজ্য
৯.কৰ্ণাটক-শ্ৰৱনবেলগোলা
১০.লাক্ষাদ্বীপ
১১.জি.বি.পন্ত কৃষি বিশ্ববিদ্যালয় ।
১২.ডুৰাণ্ড কাপ
১৩.শ্বহীদ আৰু স্বৰাজ

কুম্ভৰ নিদ্ৰা

এখন গাঁৱত শ্যাম আৰু ৰুক্মিনী নামৰ এহাল দম্পিতিয়ে বাস কৰিছিল । বহুদিন তেওঁলোকৰ কোনো সন্তান নাছিল । অৱশেষত তেওঁলোকৰ এটা পুত্ৰ সন্তান জন্ম হ'ল । কিন্তু আচৰিত কথা হ'ল, সন্তানটোৱে কন্দাও নাছিল আৰু চকুও মেলা নাছিল । আইতাকে তাৰ গাটো লৰাই দিলে অলপ লৰচৰ কৰে, কিন্তু কোনো কন্দা-কটা নকৰে। গাখীৰ পানী খাবলৈ কিন্তু মুখ মেলে।

এইদৰে সাতদিন পাৰ হৈল গ'ল । অষ্টম দিনা তেওঁলোকৰ ঘৰলৈ এজন সাধু আহিল। শ্যামে সাধুৰ আগত সন্তানটোৰ বিষয়ে সকলো কলে আৰু সাধুক এইবুলি মিনতি কৰি কলে, আপুনি এনে কোনো উপায়ৰ কথা কওক যাৰদ্বাৰা মোৰ পুত্ৰই অন্য শিশুৰ দৰে হাঁহে আৰু কান্দে । সাধুৱে সন্তানটোৰ জন্ম নক্ষত্ৰৰ বিষয়ে জানি লোৱাৰ পিছত আঙুলিৰ মূৰত গণনা কৰি আশ্চৰ্য প্ৰকাশ কৰি কলে, "চোৱা শ্যাম, তোমালোকে ইমান চিন্তিত হোৱাৰ কোনো কাৰণ নাই । তোমালোকৰ পুত্ৰৰ গাত কম বেচি কুম্ভকৰ্ণৰ অংশ আছে । জানাই নহয়, ত্ৰেতা যুগত কুম্ভকৰ্ণই অৰ্ধ নিদ্ৰাতে জাগি উঠি যুদ্ধত ভাগ লৈছিল । সেই যুদ্ধত তেওঁৰ মৃত্যু হৈছিল । যিহেতু তেওঁৰ নিদ্ৰা সম্পূৰ্ণ হোৱা নাছিল সেয়েহে তেওঁ পুনৰ জন্ম গ্ৰহণ কৰিছে । সেই কুম্ভকৰ্ণই বছৰত ছমাহ সাৰে আছিল আৰু ছমাহ শুই আছিল । তোমাৰ পুত্ৰইয়ো বছৰত বহুদিনলৈকে বহুত সময় শুই থাকিব । কান্দিলে টোপনি ভাঙি যাব পাৰে, সেয়েহে সি নাকান্দে ।

সাধুৰ কথা শুনি শ্যাম আৰু ৰুক্মিনী অলপ শান্ত হ'ল । তেওঁলোকে অতি মৰমেৰে পুত্ৰৰ নাম ৰাখিলে কুম্ভ । লাহে লাহে কুম্ভ ডাঙৰ হ'ল । সি ৰাতিপুৱাই উঠি প্ৰাত:কৃত্য সমাপন কৰি গাখীৰ জলপান খাই শুই

গৈছিল । দুপৰীয়া টোপনিৰ পৰা উঠি দুপৰীয়াৰ আহাৰ খাই আৰু শুইছিল । সি কেৱল খোৱাৰ কাৰণেহে উঠিছিল । বাকী সময় শুইয়ে কটায় । সি কোনো কাম নকৰাকৈ খাই আৰু শুইয়ে আছিল। সেয়েহে সি খুব শকত হৈ গৈছিল ।

পাঁচ বছৰ বয়সত কুম্ভই স্কুলত নাম লগালে। শকত হোৱা বাবে সি খোজকাঢ়ি যাব নোৱাৰে, সেয়েহে তাৰ পিতাকে এখন গৰুৰ গাড়ীৰ বন্দোবস্ত কৰিলে । স্কুললৈ গলেও সেইখনতে যায় । স্কুলৰ ছাত্ৰবোৰেও তাৰ শৰীৰটো লৈ ঠাট্টা কৰিছিল । কিছুমান ল'ৰাই তাৰ কাণ মলি দিছিল, তথাপি সি টোপনিৰ পৰা সাৰ নাপাইছিল ।

এতিয়া কুম্ভৰ বয়স ১৬ বছৰ হ'ল । আগতকৈ সি আৰু বেচি শকত হল । এই বয়সতো সি ভালদৰে লিখা পঢ়া কৰিব নোৱাৰিছিল । কুম্ভই কাৰো ওপৰত খং কৰা নাছিল, কাৰণ এনে কৰিলে তাৰ নিদ্ৰা ভঙ্গ হব পাৰে ।

শ্যাম আৰু ৰুক্মিনীয়ে কুম্ভৰ ভৱিষ্যতক লৈ খুব চিন্তিত হৈ পৰিল । তেওঁলোকে তাক অন্য ল'ৰাৰ দৰে কৰিবলৈ বহুত চেষ্টা কৰিলে, কিন্তু সকলো ব্যৰ্থ হ'ল । এনে সময়তে সেই সাধুজন আকৌ শ্যামৰ ঘৰত আহি উপস্থিত হ'ল ।

কুম্ভৰ মাক পিতাকৰ অনুৰোধত সাধুৱে অতি মনোযোগেৰে তাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিলে । তাৰ পাছত সাধুৱে কলে, "কুম্ভ বয়সত সৰু যদিও বৰ বুদ্ধিমান । যিকোনো টান কামকে সি নিদ্ৰাৰ কাৰণে খৰকৈ কৰিব পাৰে । যিকোনো বিদ্যা শিক্ষাৰ শক্তি তাৰ আছে ।"

"আগৰ জন্মৰ নিদ্ৰাভঙ্গৰ যোগো তাৰ লাহে লাহে শেষ হৈ আহিছে । সেয়েহে মই ইয়াতে থাকি তাক বিদ্যা শিক্ষা দিম ।"

সাধুৰ কাৰ্য্য ফলৱতী হ'ল। শোৱাৰ কাৰণে যিকোনো পাঠ সি তৎক্ষণাত শিকি লৈছিল আৰু টোপনি গৈছিল। বাকী ল'ৰাবোৰে এবছৰত যি শিকিব পাৰিছিল, কুম্ভই এমাহতে সেই পাঠ শিকিছিল। সাধুৱে কুম্ভৰ প্ৰশংসা কৰি কলে, "তুমি বৰ বুদ্ধিমান আৰু সাৱধান। এতিয়া তুমি কোনো গুৰুকুলত ভৰ্ত্তিহৈ শাস্ত্ৰ অধ্যয়ন কৰা।"

"সাধুবৰ, বেচি সময় জাগি থকাতো মোৰ কাৰণে অসম্ভৱ। আপুনি এজন মহান ব্যক্তি, আপোনাৰ মহান শক্তি আছে। আপুনি মোক সপোনতে পাঠ নপঢ়ায় কিয়?" কুম্ভই সাধুক কলে। "ঠিক আছে, মই তাকে কৰিম, পিছে এটা চৰ্ত আছে, তুমি সপোনতে ভোজন কৰিব লাগিব।" সাধুৱে কলে।

সাধুৰ চৰ্তত কুম্ভ সম্মত হ'ল। সাধুৱে কুম্ভক সপোনতে পঢ়াবলৈ ধৰিলে। কুম্ভই সপোনতে খাবলৈ ধৰিলে। কিন্তু তাৰ পেট নভৰিছিল সেয়েহে সি ঠিকমতে পাঠত মনোযোগ দিব পৰা নাছিল। চাৰিদিনৰ ভিতৰতে কুম্ভই বুজিব পাৰিলে এইটো সম্ভৱ নহয়। দুৰ্বলতাৰ কাৰণে তাৰ টোপনি অহা নাছিল। সময় কটাবৰ কাৰণে সি গাঁৱতে ঘূৰিফুৰিবলৈ ধৰিলে। গাঁওঁখন তাৰ বৰ ভাল লাগিল। সি ভোক সহ্য কৰিব পৰা নাছিল। সেয়েহে সি গাঁৱৰ ভোজনালয়ত খাবলৈ ললে। তাৰ খাদ্য কুম্ভৰ বৰ ভাল লাগিল।

"মোৰ চাৰিওফালে ইমান ডাঙৰ পৃথিৱী এখন আছে। তাক নেদেখাকৈ মই শুই আছিলো। টোপনিত দেখা সপোনতকৈ দিঠকত দেখা বস্তুহে সত্য।" কুম্ভৰ মনত এই সত্য উদয় হ'ল আৰু সাধুৰ আগতে সি এই কথা কলে।

"মানুহ হিচাবে যিয়ে জন্ম লৈছে, তেওঁ সপোনৰ কাৰণে কম সময় আৰু আচল কথা জানিবলৈ বেচি সময় খৰছ কৰিব লাগে। সেয়েহে মানুহে টোপনি যোৱা সময়তকৈ বেচি সময় জাগি থাকিব লাগে। কিন্তু পৰিশ্ৰমহীন জাগৰণো নিদ্ৰাৰ সমতুল্য। গতিকে প্ৰতিজন মানুহে পৰিশ্ৰম কৰিব লাগে, যাতে জগতৰ কল্যাণ হয়।" সাধুৱে কলে।

এতিয়া কুম্ভৰ ভাবধাৰাৰ পৰিৱৰ্তন হ'ল। সি সকলো শাস্ত্ৰ অধ্যয়ন কৰি গভীৰ জ্ঞান আহৰণ কৰিলে। এতিয়া সি কম শোৱে আৰু সেই অলপ নিদ্ৰাতে বেচি সুখ অনুভৱ কৰে।

শ্ৰমদান

ৰামপুৰ এখন সৰু গাওঁ আছিল । সেই গাঁৱত এটা অতি পুৰণি ৰামমন্দিৰ আছিল। পুৰণি হোৱৰ বাবে মন্দিৰটো ভাঙি চিঙি গৈছিল । এবাৰ বৰ ধুমুহাত সেই মন্দিৰটো সম্পূৰ্ণ ভাৱে নষ্ট হ'ল । গাঁৱৰ মানুহে সেইটো পুনৰ নিৰ্মাণ কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে ।

এদিন সন্ধিয়া গাঁৱৰ চাৰিজন ডাঙৰ মানুহ নাৰায়ণৰ ঘৰলৈ আহি তেওঁক লগধৰি কলে, "মন্দিৰ পুনৰ নিৰ্মাণৰ বাবে প্ৰায় দহ হাজাৰ টকা লাগিব।"

এই কথাত নাৰায়ণে হাঁহি মাৰি কলে, "এই ৰামমন্দিৰটো কোনো মহাৰজাই তেওঁৰ শাসনকালত নিৰ্মাণ কৰিছিল নিশ্চয় । ইয়াত তেওঁ বহুতো টকা খৰছ কৰিছিল । তাৰে তুলনাত এইখিনি তেনেই সামান্য । নিৰ্মাণৰ কাম আৰম্ভ কৰি দিয়ক ।"

"আপোনাৰ এই উৎসাহে আমাক আৰু বেছি উৎসাহিত কৰিব ।" এই বুলি কৈ মুখীয়ালজনে লগৰীয়া সকলৰ ফালে চালে । তাৰ পাছত তেওঁ কলে, "আপুনি এজন দক্ষ ব্যৱসায়ী । আপোনাৰ দক্ষতাৰ প্ৰশংসা ওচৰ চুবুৰীয়া গাঁৱৰ মানুহেও কৰে । আপুনি এই গাঁৱৰ এজন অৱস্থাপন্ন ব্যক্তি । ই আমাৰ সৌভাগ্যৰ কথা লগতে এই গাঁৱৰো গৰ্ব ।"

"চাওক কমলনাথ, মোৰ ইমান প্ৰশংসা কৰিব নালাগে । মোৰ বুদ্ধি, দক্ষতা, ধনসম্পত্তি এই সকলোবোৰ ভগবান ৰামৰে দান । আজি মোৰ যিবোৰ আছে সকলোবোৰ তেওঁৱে দিছে ।" ৰাম মন্দিৰৰ পিনে হাতযোৰ কৰি নাৰায়ণে কলে ।

তেতিয়া সেই গাঁৱৰে পুৰোহিত কৃষ্ণ পাণ্ডে কলে, "আপোনাৰ ৰামভক্তি অসীম। ইয়াৰ প্ৰশংসা নকৰাকৈ মই থাকিব নোৱাৰিম। মন্দিৰ পুনৰ নিৰ্মাণৰ বাবে গাঁৱৰ মানুহবোৰে এটা ধনৰ পৰিমান নিৰ্ধাৰণ কৰিছে । তাৰে চাৰিভাগৰ এভাগ আপুনি দান হিচাপে দিব লাগিব ।"

লক্ষ্মী প্ৰধান

এই কথা শুনি নাৰায়ণ চমকি উঠিল আৰু কলে, "তাৰমানে আপোনালোকে মোৰ পৰা আঢ়ৈ হাজাৰ টকা আশা কৰিছে ।" তেতিয়া গাঁৱৰ মুখীয়ালজনে তৎক্ষণাত কলে, "আপোনাৰ কাৰণেতো এই খিনি তেনেই নগন্য । ইমান কম টকা দিয়াত আপোনাৰ কিবা আপত্তি আছে নেকি ?"

"মোৰনো কি আপত্তি থাকিব পাৰে ? জন্মৰে পৰা মই কিছুমান কথাত বিশ্বাস কৰো। বন্ধু-বান্ধৱ, আত্মীয় অথবা ভগৱানেই নহওক কিয় তেওঁলোকে যদি কিবা আমাক দিয়ে তেন্তে সেইটো তেওঁলোকক ওভতাই দিলে তেওঁলোকক অপমান কৰা যেন হয় । ধন দানতকৈও মহান ইছে শ্ৰমদান । মই ভাবিছো মই আৰু মোৰ ডাঙৰ ল'ৰা আমি দুয়ো মন্দিৰ নিৰ্মাণ নোহোৱা পৰ্য্যন্ত সদায় এঘন্টাকৈ শ্ৰমদান কৰিম ।"

এই কথা শুনি সকলোৱে হাঁহিবলৈ ধৰিলে । তেওঁলোকৰ হাঁহি দেখি নাৰায়ণৰ মুখমণ্ডল ম্লান হৈ গ'ল । তেতিয়া গাঁৱৰ মুখীয়ালজনে কলে, "মন্দিৰ পুনৰ নিৰ্মাণৰ কাৰণে নিৰ্দ্ধাৰণ কৰা টকাখিনি একগোট কৰাৰ বাবে আমি এক পৰিকল্পনা কৰিছো । নিতৌ ভগৱান ৰামক দৰ্শন কৰিবলৈ ওচৰ পাজৰৰ গাঁৱৰ পৰা বহুতো দৰ্শনাৰ্থী আহে । গতিকে দৰ্শনাৰ্থী সকলৰ অৱস্থা বুজি আমি তেওঁলোকৰ পৰা চান্দা লম । আপুনিওতো সদায় পুৱা আৰু সন্ধিয়া ভগৱান ৰামক দৰ্শন কৰিবলৈ আহে ।"

এই বুলি কোৱাৰ পাছত মুখীয়ালৰ লগতে বাকীকেইজনো থিয় হ'ল । তেতিয়া নাৰায়ণে মুখীয়ালৰ হাতত ধৰি কলে, "আপোনালোক অলপ ৰব।" এইবুলি কৈ তেওঁ ঘৰৰ ভিতৰলৈ সোমাই গ'ল । কিছুসময় পাছত তেওঁ টকালৈ ওলাই আহিল আৰু মুখীয়ালৰ হাতত দি দিলে।

মুখীয়ালৰ লগতে বাকী কেইজনেও তেওঁক অভিনন্দন জনালে । যাবৰ সময়ত পুৰোহিতজনে কলে, "চান্দাটো আপুনি আমাক দিলে । দয়া কৰি সেই শ্ৰমদানৰ কথাটো যেন পাহৰি নাযায় ।" তেওঁৰ কথাত সকলোৱে হাঁহিব ধৰিলে । তেওঁলোকৰ হাঁহি দেখি নাৰায়ণেও মিচিকিয়াই হাঁহিলে।



নজৰ নলগা ৰঙালাও

তুমি যদি তামিল নাডুত নতুন ঘৰ এটাৰ সন্মুখত প্ৰকাণ্ড দৈত্যৰ মুখা এখন আঁৰি থোৱা দেখা, তাত তুমি ভয় নাখাবা । ইয়াৰ পিছফালে সম্ভৱত: এটা ডাঙৰ ৰঙালাও আছে । এই ৰাজ্যৰ মানুহবোৰে এটা প্ৰকাণ্ড ৰঙালাওৰ ওপৰত এটা দৈত্যৰ ভয়লগা মুখ আঁকে আৰু সেইটো নতুন ঘৰৰ সন্মুখত আঁৰি ৰাখে যাতে ঘৰটোত কোনো বেয়া মানুহৰ নজৰ নালাগে । ইয়াতে এখন নতুন গাড়ী উদ্বোধনৰ সময়তো তাৰ সন্মুখত এটা বগা ৰঙালাও দলিয়াই দি গুড়ি কৰি পেলোৱা হয় । আনকি অমাৱস্যা আৰু কিছুমান বিশেষ দিনত এই কামটো নিয়মিত ভাবে কৰা হয় ।

চয়তান নে দেৱতা ?

মহাভাৰতত থকা কৌৰৱ ৰাজকুমাৰ দুৰ্যোধনৰ চৰিত্ৰটো তুমি কেনেকৈ বৰ্ণনা কৰিবা ? তুমি নিশ্চয় কবা যে দুৰ্যোধনে পাণ্ডৱসকলক চকুপাৰি দেখিব নোৱাৰিছিল, তেওঁলোকৰ প্ৰতি ঈৰ্ষাপৰায়ণ আছিল আৰু আছিল অতি উচ্চাকাঙ্ক্ষী। মুঠতে কবলৈ গলে তেওঁ এজন বেয়া মানুহ । কিন্তু উত্তৰ কাশীৰ যমুনা উপত্যকাৰ পশ্চিম অঞ্চলত বাস কৰা কিছুমান সম্প্ৰদায়ৰ লোক তোমাৰ লগত একমত নহবও পাৰে । কিয় কব পাৰানে? কাৰণ তেওঁলোকে দুৰ্যোধনক তেওঁলোকৰ আৰাধ্য দেৱতা হিচাবে পূজা কৰে ।

গোৱাৰ লোককথা

গোৱা, দমন আৰু ডিউ ৰাজ্য ভাৰতৰ পশ্চিম উপকূলত অৱস্থিত ।

প্ৰাকৃতিক পোতাশ্ৰয়ৰে সৈতে সমুদ্ৰ অভিযানকাৰী পৰ্তুগীজসকলৰ কাৰণে গোৱা আছিল এক উপযুক্ত ঠাই । ১৯৬১ চনলৈকে গোৱা পৰ্তুগীজসকলৰ অধীনত আছিল । তাৰ পাছত ইয়াক কেন্দ্ৰীয় শাসিত অঞ্চল হিচাবে ঘোষণা কৰা হয় । ১৯৮৭ চনৰ ৩০ মে তাৰিখে গোৱাক ৰাজ্যৰ মৰ্য্যাদা দিয়া হয় ।

গোৱা ৰাজ্যখন পশ্চিম ঘাটৰ সহয়াদ্ৰি ৰেঞ্জৰ এঢলীয়া অঞ্চলত অৱস্থিত । এই ৰাজ্যৰ উত্তৰে মহাৰাষ্ট্ৰ, দক্ষিণ আৰু পূবে কৰ্ণাটক আৰু পশ্চিমে আৰব সাগৰ ।

৩,৭০২ বৰ্গ কিলোমিটাৰ আয়তনেৰে গোৱাৰ জনসংখ্যা ১,৩৪৩,৯৯৮ জন । গোৱা ৰাজ্যৰ চৰকাৰী ভাষা কঙ্কণি। পৰ্তুগীজ, ইংৰাজী আৰু মাৰাঠী ভাষাৰো তাত প্ৰচলন আছে।

গোৱাৰ নাম সম্পৰ্কে বহুতো প্ৰবাদ আছে । এইটো বিশ্বাস কৰা হয় যে গোমন্তচল, গোপকপট্টন, গোৱাপুৰী বা গোৱাৰাষ্ট্ৰৰ নামকে চুটি কৰি পৰ্তুগীজসকলে ইয়াৰ নাম গোৱা ৰাখিছে। গোমন্তচল মানে গৰুৰ পৰ্বত । সম্ভৱতঃ গোমতী নদীৰ নামেৰে ইয়াৰ নাম ৰখা হৈছে । বৰ্ত্তমান এই নদীৰ নাম মন্দোৰী । এইটোৱে এই ৰাজ্যৰ প্ৰধান নদী ।

গান গোৱা সিংহ

বহুদিন আগতে এখন দেশত এজন সদাগৰ আছিল । তেওঁ বহু দূৰ দেশলৈ বাণিজ্য কৰিবলৈ গৈছিল । তেওঁৰ তিনিজন পুত্ৰ আছিল । পুত্ৰসকলেই তেওঁৰ ব্যৱসায় চোৱা-চিতা কৰিছিল । এদিনাখন তেওঁৰ প্ৰথম পুত্ৰ ৰুদ্ৰেশাই বাণিজ্য কৰিবলৈ যাত্ৰা কৰিলে । তেওঁ এখন জাহাজত বহুতো মাল-বস্তু ভৰাই লৈ দূৰ দেশলৈ গৈছিল ।

তেওঁ গৈ গৈ এটা ধুনীয়া দ্বীপত উপস্থিত হ'ল। সেই দ্বীপৰ বন্দৰৰ ওচৰত তেওঁ এখন জাননী দেখিবলৈ পালে। তাত লিখা আছিল - "কেঁইমাহ



মান আগতে আমাৰ দেশৰ ৰাজকুমাৰী মায়া সন্ধানহীন হৈছে। এসপ্তাহৰ ভিতৰত কোনোবা লোকে তেওঁক বিচাৰি উলিয়াব পাৰিলে তেওঁৰ সৈতে ৰাজকুমাৰীক বিয়া দিয়া হব। কিন্তু যিয়ে তেওঁক বিচাৰি উলিয়াৰ প্ৰতিশ্ৰুতি দি অকৃতকাৰ্য্য হয় তেওঁক বন্দী কৰি ৰখা হব।"

ৰুদ্ৰেশাই নিজৰ ভাগ্য নিৰ্দ্ধাৰিণ কৰাৰ সিদ্ধান্ত কৰিলে। 'ৰাজকুমাৰী নিশ্চয় দ্বীপ এৰি যোৱা নাই। এই সৰু দ্বীপটোত মই নিশ্চয় বিচাৰি উলিয়াব পাৰিম,' ৰুদ্ৰেশাই ভাবিলে।

তেওঁ প্ৰাসাদলৈ গৈ ৰজাক কলে, "মহাৰাজ, মই এজন সদাগৰৰ পুত্ৰ। মোৰ নাম ৰুদ্ৰেশা। মই আজি মাত্ৰ ইয়াত উপস্থিত হৈছো। সাগৰৰ পাৰত থকা জাননীখন মই দেখিছো। মোৰ বিশ্বাস মই আপোনাৰ কন্যাক বিচাৰি উলিয়াব পাৰিম। যদি মই বিচাৰি উলিয়াব নোৱাৰো, মোৰ জাহাজখন বাজেয়াপ্ত কৰিব।"

ৰজাই তেওঁক মুকলিভাবে দ্বীপত ঘূৰি ফুৰিবলৈ অনুমতি দিলে। ৰুদ্ৰেশাই এজন ভিখাৰীৰ ভেশ ধৰি দ্বীপটোৰ চুকে কোণে বিচাৰিবলৈ ধৰিলে। কিন্তু তেওঁ ৰাজকুমাৰীৰ কোনো সন্ধান নাপালে। তেতিয়া ৰজাৰ মানুহে তেওঁক বন্দী কৰিলে আৰু তেওঁৰ জাহাজখন বাজেয়াপ্ত কৰিলে।

এইদৰে কেইবামাহ পাৰ হ'ল। ৰুদ্ৰেশা ঘূৰি নোযোৱা কাৰণে সদাগৰৰ মনত চিন্তা লাগিল। তেতিয়া তেওঁৰ দ্বিতীয় পুত্ৰ নাগেশাক তেওঁৰ ককায়েকক বিচাৰি যাবলৈ কলে। "ৰুদ্ৰেশাই হয়তো কৰবাত বিপদত পৰিব পাৰে। তুমিও এখন জাহাজত মাল ভৰ্ত্তি কৰি বাণিজ্যলৈ যোৱা। ৰুদ্ৰেশা যিফালে গৈছে তুমিও সেইফালে যাবা। বাণিজ্যৰ লগতে তুমি তোমাৰ ককায়েৰাকো বিচাৰিবা," সদাগৰে কলে।



নাগেশাইও জাহাজেৰে গৈ গৈ সেই একেটা দ্বীপতে উপস্থিত হ'ল। তেওঁও সেই জাননীখন দেখিবলৈ পালে। জাননী পঢ়ি তেওঁ নিজৰ ভাগ্য পৰীক্ষা কৰি চাবলৈ বিচাৰিলে। তেওঁ পোনে পোনে ৰজাৰ ওচৰলৈ গৈ ৰাজকুমাৰীক বিচৰাৰ অনুমতি বিচাৰিলে। তেওঁ এজন জ্যোতিষীৰ

হস্তশিল্প

গোৱাৰ সংস্কৃতিত পৰ্তুগীজ আৰু ভাৰতীয় সংস্কৃতিৰ সংমিশ্ৰণ দেখা যায়। হস্তশিল্পবোৰত এই সংস্কৃতিৰ প্ৰতিফলন ঘটিছে। গোৱাৰ হস্তশিল্পৰ জনপ্ৰিয় বস্তুবোৰ হ'ল - ধানখেৰৰ টুপি, বাঁহেৰে তেয়াৰী বস্তু, নানা ধৰণৰ মাটিৰ বাচন, কাঠৰ খোদাই কাৰ্য্য, সাগৰীয়া শামুকৰ পৰা তৈয়াৰী বস্তু আৰু মেট তৈয়াৰ। অন্যান্য হস্তশিল্পবোৰ হ'ল -- পেপিয়ে মাশ্বেই, কুৰ্চাৰি কাম, এমব্ৰইডাৰী, কাপোৰত ছাপ মৰা কাৰ্য্য আৰু কাপোৰৰ পুতলা তৈয়াৰ।

ভেশ ধৰি ৰাজকুমাৰীক বিচৰাত লাগিল। তেওঁ মানুহৰ ঘৰে ঘৰে গৈ ৰাজকুমাৰীক বিচাৰিলে, কিন্তু ক'তো নাপালে। এসপ্তাহ পিছত ৰজাৰ মানুহে নাগেশাকো বন্দী কৰি থলে আৰু জাহাজখন বাজেয়াপ্ত কৰিলে।

দুয়োটা পুত্ৰ ঘূৰি নহা কাৰণে সদাগৰৰ চিন্তা বাঢ়ি গ'ল। অৱশেষত নিজেই বিচাৰি যোৱাৰ সিদ্ধান্ত ললে। তেতিয়া তেওঁৰ কনিষ্ঠ পুত্ৰ মঙ্গেশাই তেওঁক বাধা দি কলে, "পিতা, তুমি এতিয়া বুঢ়া হৈছা, গতিকে দূৰ ঠাইলৈ ভ্ৰমণ কৰিবলৈ যাব নালাগে। তাৰ পৰিবৰ্তে মোকে যাবলৈ অনুমতি দিয়া।" মঙ্গেশাৰ কথাত পিতাক মান্তি হ'ল।

মঙ্গেশাই দুই ককায়েকক বিচাৰি ওলাল। তেওঁও গৈ গৈ সেই একেটা দ্বীপতে উপস্থিত হ'ল। আৰু সেই একেখন জাননী দেখিবলৈ পালে। তেতিয়া তেওঁ বুজিব পাৰিলে ককায়েকহঁত ইয়াৰ প্ৰলোভনত পৰি নিশ্চয় এতিয়া বন্দীশালত আছে।

তেওঁ চহৰলৈ গৈ ককায়েকহঁতৰ বিষয়ে অনুসন্ধান কৰিলে। কিন্তু কোনেও তেওঁলোকৰ বিষয়ে একো কব নোৱাৰিলে। বাগিছাত পানী দি থকা এগৰাকী মহিলাইহে মাথোঁ অলপ আশাপ্ৰদ উত্তৰ দিলে। মহিলগৰাকীয়ে কৈছিল যে তেওঁৰ দৰে দুজন যুৱক কিছুদিন আগতে ৰাজকুমাৰীক বিচাৰি আহিছিল। কিন্তু তেওঁলোকে বিচাৰি উলিয়াব নোৱাৰা কাৰণে তেওঁলোকক বন্দীশালত ৰখা হৈছে আৰু তেওঁলোকৰ জাহাজো বাজেয়াপ্ত কৰা হৈছে।

"তেওঁলোক দুজন মোৰ ককাইদেউ।" মঙ্গেশাই কলে। "মই তেওঁলোকক বন্দীশালৰ পৰা মুক্ত কৰিব লাগিব। লগতে ৰাজকুমাৰীক বিচাৰি উলিয়াই বিবাহো কৰাব খোজো। এই বিষয়ত তুমি যদি মোক সহায় কৰা মই তোমাক উপযুক্ত পুৰস্কাৰ দিম।

তেতিয়া মহিলাজনীয়ে কৈছিল, "মই যদি ৰাজকুমাৰী ক'ত আছে জানিলোহেতেন তেতিয়াহলে মই মোৰ পুত্ৰৰ কাৰণেই বোৱাৰী কৰি আনিলোহেতেন। ৰাজকুমাৰীক বিচাৰি উলিয়াব লাগিলে প্ৰথমতে ৰাজপ্ৰসাদত প্ৰৱেশ কৰি খোজ খবৰ কৰিব লাগিব। কিন্তু তাত প্ৰৱেশ কৰাটোৱে বৰ কঠিন।"

"মা, তুমি বৰ জ্ঞানী। এই বিষয়ত তুমি মোক অলপ সহায় কৰা।" মঙ্গেশাই অনুৰোধ কৰিলে।

মহিলাজনীয়ে অলপ ভাবিলে। তাৰ পাছত তেওঁৰ মনত এটা বুদ্ধি খেলালে। সেই আঁচনিৰ কথাটো মঙ্গেশাক কোৱাত তেওঁৰ চকু দুটা উজ্জ্বল



হৈ উঠিল । তেওঁ জানিছিল এইটো কামত আহিব। "তোমাক অশেষ ধনবাদ," মঙ্গেশাই কলে।

মহিলাজনীয়ে মঙ্গেশাক এজন সোণাৰিৰ ওচৰলৈ পঠালে আৰু সোণৰ এটা প্ৰকাণ্ড সিংহ তৈয়াৰ কৰিবলৈ কলে, তাৰ যাতে ভিতৰখন ফোপোলা থাকে ।

সিংহটো তৈয়াৰ হোৱাত মহিলাজনীয়ে সেইটো ৰাজপ্ৰসাদলৈ লৈ গ'ল । তেওঁ সেইটো ৰজাৰ সম্মুখত ৰাখি কলে, "মহাৰাজ, এই সোণৰ সিংহটোৱে গান গাব পাৰে । মই আপোনাক গান শুনাবলৈ ইয়াক লৈ আহিছো।" তাৰ পাছত সিংহটোৰ ফালে চাই কলে, "হে আচৰিত সিংহ, এটা গান গোৱা।" লগে লগে সিংহৰ মুখৰ পৰা এটা সুমধুৰ গান শুনা গ'ল ! ৰজাই খুব আমোদ পাই কলে, "মই এইটো কিনিব খোজো । কিমান দাম লাগে কোৱা !"

তেতিয়া মহিলাজনীয়ে কলে, "ক্ষমা কৰিব মহাৰাজ । সিংহটো মই বিক্ৰী নকৰো । এইটো এজন পৰ্যটকৰ । তেওঁ মোৰ ঘৰতে আছে । অহাকালি তেওঁ এই দেশ এৰি যাব । লাগিলে মই এদিনৰ কাৰণে সিংহটো আপোনাৰ ওচৰত ৰাখিব পাৰো ।"

"তেনেহলে এদিনৰ কাৰণে এইটো মোৰ ইয়াত ৰাখি যোৱা । ৰাণী আৰু ৰাজকুমাৰে চাই বৰ আনন্দ পাব ।" ৰজাই কলে ।

ৰজাৰ কথাত মহিলাজনী সম্মত হ'ল । তেওঁ পিছদিনা আহি লৈ যাব বুলি কৈ সিংহটো এৰি গ'ল ।

ৰজাই সিংহটো ৰাণীক দেখুৱালে । ৰাণীয়ে সেইটো দেখি খুব আনন্দিত হৈ কলে, "মায়াই এইটো দেখিলে মনত খুব স্ফূৰ্তি পাব ।" ৰজাইও ৰাণীৰ কথাত এক মত হ'ল ।

ৰজাই সেইটো নিজৰ কোঠালৈ লৈ গ'ল । তাৰ পাছত তেওঁ কাৰ্পেটখন দাঙি শ্লেব এখন খুলি দিলে । তেতিয়া এটা চিৰি দেখা গ'ল । সেই চিৰিটোৰে ৰজা তললৈ নামি গ'ল । তাত বহুতো ধুনীয়া সুসজ্জিত কোঠা আছিল । একেবাৰে শেষৰ কোঠাটোত দেখিবলৈ একে ধৰণৰ দহজনী ছোৱালী আছিল । ৰজাই গৈ তাৰে এজনীক সাবতি ধৰিলে । সেইজনীয়ে আছিল তেওঁৰ কন্যা, মায়া !

"দেউতা, মোৰ ইয়াত থাকি আমনি লাগিছে। কিমান দিন আৰু মই এইদৰে থাকিব লাগিব ?" মায়াই কলে ।

"বেচিদিন আৰু থাকিব নালাগে । তুমি জনাই আমাৰ ৰাজভঁৰাল উদং হৈ গৈছে । এইদৰে তোমাক বিচাৰি উলিয়াৰ চল কৰি বিদেশী সদাগৰৰ মাল বস্তুৰ জাহাজবোৰ বাজেয়াপ্ত কৰি আছো, আৰু মাথোঁ কেইমাহমান থাকিলে

আমাৰ ৰাজভঁৰাল টনকীয়াল হব।" তাৰ পাছত ৰজাই মায়াক গান গোৱা সিংহটো দেখুৱালে। সিংহৰ গান শুনি মায়া আৰু তেওঁৰ লগৰীয়াসকল অতি আনন্দিত হ'ল। মায়াই সেইটো ৰাতিটোৰ কাৰণে তাতে ৰাখি যাবলৈ ৰজাক অনুৰোধ কৰিলে।

মায়া আৰু লগৰীয়াসকলে সিংহৰ বহুতো গান শুনিলে। বেচি ৰাতি হোৱাত মায়াই সিংহটো লৈ নিজৰ কোঠালীলৈ শুবলৈ গ'ল। তেওঁ সিংহটোক কলে, "হে সিংহ, এটা দুখপূৰ্ণ গান গোৱাচোন?"

নৃত্য

নৃত্যৰ ক্ষেত্ৰত গোৱা অতি চহকী। এই ৰাজ্যখনত নানা ধৰণৰ লোকনৃত্য আছে। সেই লোকনৃত্যবোৰত গোৱাৰ সংস্কৃতিক পৰম্পৰা ফুটি উঠিছে। গোৱাৰ অতি জনপ্ৰিয় লোকনৃত্য হ'ল ফুজি। ৰাজহুৱা অনুষ্ঠানত মহিলাসকলে এই নৃত্য পৰিবেশন কৰে। মহিলাসকলে পৰিবেশন কৰা অন্য এটা লোকনৃত্য হ'ল ঢালো। ইয়াৰে অন্য এক জনপ্ৰিয় নৃত্য হ'ল কোৰেনদিনহো। এইটো পৰ্তুগীজ লোকনৃত্য। ইয়াৰ বাহিৰে অন্যান্য নৃত্যবোৰ হ'ল --ঘোদে মোদনি, গফকুনবি আৰু ৰোমত।

তেতিয়া সিংহটোৱে সুমধুৰ সুৰে অতি দুখলগা এটা গান গালে। সেই গান শুনি মায়াৰ অন্তৰ পৰশি গ'ল। মায়াই কলে, "তুমি মানুহ হোৱা হলে মই তোমাক বিয়া কৰালোহেতেন।"

সিংহটোৱে মানুহৰ মাতেৰে উত্তৰ দিলে, "মই এটা আচৰিত জন্তু। যদি তুমি মোৰ ভৰিৰ শিকলিডাল টানি দিয়া মই এটা মানুহ হৈ যাম।"

মায়াই আচৰিত হৈ চেইনডাল টানি দিয়াত সিংহটোৰ ভিতৰৰ দুৱাৰ এখন খোলা গ'ল। মঙ্গেশা লগে লগে ওলাই পৰিল। সি ৰাজকুমাৰীক নিজৰ পৰিচয় দিলে। "মই তোমাক বিয়া কৰাব খোজো," মঙ্গেশাই কলে।

মঙ্গেশাক দেখি ৰাজকুমাৰী মোহিত হৈ গৈছিল। তেওঁলোকে গোটেই নিশা কি কৰিব তাৰে পৰিকল্পনা কৰি কটালে। মঙ্গেশাই ৰাজকুমাৰীৰ ওপৰ ওঠত থকা তিলটো দেখি বুজিব পাৰিলে লগৰীয়াসকলৰ মাজৰ পৰা ৰাজকুমাৰীক চিনাক্ত কৰিব পৰা এইটোৱে একমাত্ৰ চিহ্ন। ৰাতিপুৱা মঙ্গেশা গৈ সিংহটোৰ ভিতৰত সোমাল। তাৰ পিছত সেইটো মালিনী মহিলাজনীক ওভতাই দিয় হ'ল।

তাৰ পিছত মঙ্গেশা ৰজাৰ ওচৰলৈ গ'ল আৰু ৰজাক কলে, "মহাৰাজ, মই দূৰ দেশৰ এজন সদাগৰৰ ল'ৰা। মোক ৰাজকুমাৰীক বিচাৰিবলৈ অনুমতি দিয়ক।"

মঙ্গেশাই ৰাজকুমাৰীক বিচাৰি ছয় দিন কটালে, যাতে ৰজাৰ সন্দেহ নহয় যে তেওঁ মায়া ক'ত আছে আগতে জানিব পাৰিছে। সপ্তম দিনাখন তেওঁ ৰাজকুমাৰীক প্ৰাসাদত বিচৰাৰ কাৰণে ৰজাৰ অনুমতি বিচাৰিলে। ৰজা অলপ আচৰিত হ'ল। কিন্তু বিচৰাত বাধা দিব নোৱাৰিলে।

মঙ্গেশাই প্ৰাসাদৰ চাৰিওফালে বিচাৰি

চালে। অৱশেষত তেওঁ ৰজাৰ কোঠালৈ গ'ল। ৰজাৰ কোঠাৰ কাৰ্পেটখন দাঙি শ্লেবখন গুচাই দিলে। তাৰ পাছত তেওঁ খটখটিৰে তললৈ সোমাই গ'ল।

মঙ্গেশাৰ কাৰ্য্য দেখি ৰজা অলপ বিমোৰত পৰিল। ৰজাই ভাবিলে, 'মঙ্গেশাই ৰাজকুমাৰীক বিচাৰি পাব যেন পাইছো। তেওঁ লগৰীয়াসকলৰ মাজৰ পৰা মায়াক চিনি উলিয়াব পাৰিবনে?' ৰজা মঙ্গেশাৰ পিছে পিছে গ'ল। মঙ্গেশাই ৰাজকুমাৰীৰ কোঠালীত সোমাই কলে, "মহাৰাজ, ইয়াৰ ভিতৰতে আপোনাৰ কন্যা আছে!"

"তুমি যদি চিনিব পাৰিছা, কোনজনী ৰাজকুমাৰী দেখুৱাই দিয়া," ৰজাই কলে। মঙ্গেশাই গোটেইকেইজনী ছোৱালীৰ ফালে এবাৰ ভালদৰে চালে। তেওঁ মায়াৰ তিলটো দেখি চিনিব পাৰিলে। কাৰণ বাকীবোৰতকৈ মায়াৰ তিলটো বেচি উজ্জল। মঙ্গেশাই মায়াৰ



ৰন্ধন প্ৰণালী

গোৱাৰ ৰন্ধন প্ৰণালীত প্ৰচুৰ মছলা ব্যৱহাৰ কৰা হয়। ইয়াৰ ৰন্ধন প্ৰকৰণত দক্ষিণ ভাৰতীয় আৰু নবাবী খানাৰ সংমিশ্ৰণ ঘটিছে। পৰম্পৰাগত গোৱাৰ ৰন্ধন প্ৰকৰণত পৰ্তুগীজ ৰন্ধনৰো প্ৰভাৱ পৰিছে। যিহেতু গোৱা এখন উপকূলীয় ৰাজ্য, সেয়েহে ইয়াত সাগৰীয় মাছ আৰু অন্যান্য সাগৰীয় খাদ্য অতি জনপ্ৰিয়। স্থানীয়ভাৱে তৈয়াৰ কৰা ফেনি মদ ইয়াৰ মানুহৰ অতি প্ৰিয়।

ফালে আঙুলিৰে দেখুৱাই ৰজাক কলে, "মহাৰাজ, এইজনীয়ে আপোনাৰ হেৰোৱা কন্যা।"

মঙ্গেশাৰ কাৰ্য্য দেখি ৰজাই কলে, "হে যুৱক, তুমি সঁচাকৈ সাহসী আৰু বুধিয়ক। তুমি মোৰ কন্যাক বিবাহ কৰোৱাৰ উপযুক্ত।"

মঙ্গেশা অতি আনন্দি হ'ল। তেওঁ ৰজাক এটা অনুৰোধ কৰিলে, "মহাৰাজ, ৰাজকুমাৰীক বিচাৰিবলৈ আহি অকৃতকাৰ্য্য হৈ যিসকল যুৱক বন্দীশালত আছে তেওঁলোকক মুকলি কৰি দিব লাগে।"

মঙ্গেশাৰ কথাত ৰজা সম্মত হ'ল। বন্দীবোৰৰ ভিতৰত ৰুদ্ৰেশা আৰু নাগেশাও আছিল। মঙ্গেশাৰ মুখৰ পৰা গোটেই ঘটনা শুনি দুয়ো ভ্ৰাতৃ অতি আনন্দিত হ'ল। তাৰপাছত মঙ্গেশাৰ নতুন কইনাক লগত লৈ তিনিও ভ্ৰাতৃয়ে জাহাজত উঠি নিজৰ ঘৰলৈ বুলি যাত্ৰা কৰিলে।

সংবাদ বিচিত্রা

উত্তৰ মেৰুত ভাৰতীয় মহিলা

কেৰেলাৰ ৪৬ বছৰীয়া ৰাছেল থমাছ হ'ল উত্তৰ মেৰুত পদাৰ্পন কৰা প্ৰথম ভাৰতীয় মহিলা স্কাই- ডাইভাৰ । তেওঁ যোৱা এপ্ৰিল মাহত তেওঁৰ সেই ঐতিহাসিক জাঁপটো মাৰিছিল । যেতিয়া তাৰ তাপমাত্ৰা মাইনাচ ৫০ ডিগ্ৰী চেলচিয়াচ আছিল তেওঁ ১০০০ ফুটৰ পৰা জাঁপ মাৰিছিল । তেওঁক তুলি ননালৈকে তেওঁ কেঁচা মাছ আৰু বল্গা হৰিণৰ মাংস খাই জীয়াই আছিল । মিচেচ থমাছৰ কন্যা এনি এবাৰ মিচ ইণ্ডিয়া হৈছিল । যোৱা ২৫ বছৰ ধৰি মিচেচ থমাছে স্কাই - ডাইভিং কৰি আছে ।

মন্দিৰৰ তলা

পুৰীৰ জগন্নাথ মন্দিৰৰ মুখ্য দুৱাৰত মাৰিবলৈ এটা নতুন তলা তৈয়াৰ কৰা হৈছে । এইটো এক বিশেষ ধৰণৰ তলা । এই তলাটো দুফুট ওখ, এফুট বহল আৰু ইয়াৰ ওজন ৫০ কেজি। তলাটোৰ মূল্য ৩০,০০০ টকা । এইটো তৈয়াৰ কৰোতে সময় লাগিছে তিনি মাহ । এই তলাটোৰ ৩৬ চেন্টিমিটাৰ দীঘল তিনিপাত পিতলৰ চাবি আছে । এই কোম্পানীটোৰে তৈয়াৰ কৰা এইটোৱে গধুৰ তলা নহয় । ইয়াৰ আগতে কোম্পানীটোৱে ১৯৬১ চনত দিল্লীৰ বিশ্ব বাণিজ্য মেলাৰ কাৰণে ৮০ কেজি ওজনৰ এটা তলা তৈয়াৰ কৰিছিল ।



গণেশ

গণেশৰ অভিষেকৰ সকলো প্ৰকাৰৰ আয়োজন কৰা হৈছিল । বহুতেই পৰমপ্ৰিয় গণেশৰ বাবে বিভিন্ন বস্তু আনিলে । গণেশ সকলোৰে প্ৰিয় । গণেশ হ'ল অজাতশত্ৰু । গণেশক মৰম নকৰা কতো কোনো নাই । পাৰ্বতীয়ে গণেশৰ বাবে ৰং বিৰঙী সাজ-পাৰ তৈয়াৰ কৰালে । অন্যান্য বহুতেই বহু ধৰণৰ আৰু বৰণৰ সাজ-পাৰ তেওঁলোকৰ পৰমপ্ৰিয় গণেশৰ বাবে তৈয়াৰ কৰিছিল আৰু গণেশক সজাব পৰাব বুলি ভাবিছিল। কিন্তু গণেশে নিজৰ মনেখোৱা মতে শুকুলা সাজ পাৰহে পিন্ধিলে ।

পাৰ্তকীয়ে অবাক হৈ গণেশক সুধিলে, "বোপা, অভিষেকৰ কালত শুকুলা সাজপাৰ পিন্ধিলা কিয়? ৰংচঙীয়া সাজপাৰেৰে তোমাক কিমান যে শুৱাব !"

"ভাল পোছাক পাতি পিন্ধিব লাগে, ভাল পোছাক পাতি পিন্ধিলোঁৱেই দেখোন, মা। মা, শুকুলা বৰণতকৈ ভাল বৰণ একো নাই। শুক্ল হল পৰিচ্ছন্ন বিবেকৰ প্ৰতীক ।" গণেশে কলে ।

গণেশৰ অভিষেক হৈ গল ।

অভিষেকৰ পাছত গণেশৰ অন্য নাম হল গণনাথ । গণেশৰ একাশৰ থাকিল জয়লক্ষ্মী, আৰু অন্য কাষত বিদ্যাৱতী । এগৰাকী সিদ্ধি আৰু আনগৰাকী বুদ্ধিৰ প্ৰতীক । তাৰ ফলত্, সিদ্ধি বুদ্ধিৰে সৈতে গণেশৰ আন এটি নাম হল বিনায়ক । ঠিক তেতিয়াই, আঠো দিশৰপৰা অষ্টসিদ্ধিয়ে সুন্দৰী কন্যাৰ ৰূপত বিনায়কক বৰণ কৰিলে। তেতিয়াৰপৰা গণেশ সিদ্ধিদাতা বিনায়ক নামেৰে জনাজাত হল ।

কৰি তুলিলে । বিষ্ণুৱে আকৌ কলে, "হে গজানন! তোমাৰ প্ৰসন্ন মুখলৈ চালে হস্তী হ'বলৈহে মন যায় ।"

গণেশে হাঁহি মাৰি ক'লে, "তোমাৰ সকলো ইচ্ছা পূৰ্ণ হওক ।"

আঠগৰাকী সিদ্ধিকন্যাই চুঁৱৰী পহুৰ নেজৰ নোমেৰে বনোৱা চামৰেৰে গণেশক শীতল বা দি আছিল । বিষ্ণুৱে তেতিয়া গণেশক কলে, "হে সিদ্ধিৰ বিনায়ক! লক্ষ্মী অস্থিৰ হৈ পৰিছে । তোমাৰ কোলাত অলপ পৰলৈ বহিলে লক্ষ্মীৰ মাজত থকা সকলো ধৰণৰ অস্থিৰতা আঁতৰিব আৰু লক্ষ্মী শান্ত হব । গতিকে- তেওঁক কোলাত লৈ অলপ শান্ত কৰাঁ । তেতিয়া লক্ষ্মী এঠাইত স্থিৰ হৈ বহিব পাৰিব ।"

হঠাৎ নাৰদে কৈ উঠিল, "আই ঔ, গণেশৰ কিমান যে নাম । সিদ্ধি বিনায়ক, লক্ষ্মী গণপতি, শুক্লাম্বৰধৰ, বিঘ্নেশ্বৰ- কত কি যে !" এই বুলি কৈ কৈ তম্বুৰা বজাই গান গাই নাৰদ তাৰপৰা গুচি গ'ল । তেওঁৰ গীতৰ মূল কথা আছিল জয় জয় জনগণ নায়ক জয় হে । এই গান গাই নাৰদে ত্ৰিলোকত ভ্ৰমি ফুৰিবলৈ ধৰিলে ।

নাৰদৰ কণ্ঠনি:সৃত এই অপূৰ্ব গান শুনি ত্ৰিলোকৰ সকলো অধিবাসী মোহিত হৈ পৰিল । কোনো কোনোবাই এই আনন্দমুখৰ গীতৰ ছেৱে ছেৱে নাচিবলৈ ধৰিলে । আৰু গণেশৰ জয়ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰিলে ।

এবাৰ এন্দুৰৰ পিঠিত উঠি, বিন্ধ্য পৰ্বত পাৰ হৈ গণেশে বিন্ধ্যপৰ্বতৰ সোঁফালে থকা বিৰাট আকাৰৰ ক'লা বৰণৰ পাহাৰৰ

এনেতে বিষ্ণু তালৈ আহিল । বিষ্ণুৱে শুকুলা সাজ-পাৰ পিন্ধা অৱস্থাত গণেশক দেখা পাই মোহিত হল আৰু অলপপৰলৈ ৰ' লাগি চাই ৰল । বিষ্ণুক দেখা পাই গণেশ প্ৰীত হ'ল।

বিষ্ণুৱে গণেশক কলে, এতিয়া কৌটি কৌটি বিঘিনিয়ে দেখা দিলেও বিনায়কৰ বিবাহ বন্ধ নহব । এতিয়াৰ পৰা তোমাৰ নাম হল কল্যান গণেশ । বিবাহ মানেই কল্যাণমূলক কাৰ্য্য । এতিয়াৰপৰা তোমাৰ মাধ্যমতহে বিবাহকাৰ্য্য সমাধা হব ।"

গণেশে কলে, "তথাস্তু,সেয়ে হওক । তুমি কৌশল্যাৰ গৰ্ভত জন্মগ্ৰহণ কৰি ৰাৱণক নিচ্ছিন্ন কৰাঁগৈ।"

আচম্বিতে চাৰিওফালে শংখনিনাদ ধ্বনিত হল । দেৱতাসকলে একযোগে গণেশৰ জয়ধ্বনিৰে আকাশ বতাহ মুখৰিত

ওপৰত নামিলে। এই অঞ্চলত অসংখ্য কল গছ আছিল। তাত শবৰ জাতিৰ মানুহে ঢাক ঢোল বজাই হৈ চৈ কৰি উৎসৱ পাতিছিল। এটি সৰু ল'ৰাৰ ৰূপ ধাৰণ কৰি গণেশ উৎসৱৰ ঠাইলৈ গ'ল। শবৰহঁতে ল'ৰাটোক দাংকো-লাকৈ নি উৎসৱস্থলৰ সোঁমাজত থিয় কৰালে। নিচেই ওচৰত এটুকুৰা ক'লা শিল পৰি আছিল। সেই শিল টুকুৰাৰ ওচৰত থিয় হৈ আন এটি বোবা ল'ৰাই উচুপি আছিল। ল'ৰাটোৰ দেহা হালধিৰে বোলোৱা হৈছিল, তাৰ কঁকালত আছিল ক'লা কাপোৰ আৰু ডিঙিত আছিল ৰঙা ফুলৰ মালা।



সৰু ল'ৰাৰূপী গণেশে শবৰহঁতক সুধিলে, "তোমালোকৰ দেৱতা কোন? তোমালোকৰ দেৱতাৰ ওচৰলৈ মোক তোমালোকে লৈ যাব পাৰিবানে? মই তেওঁৰ সৈতে অলপ কথা পাতি চাম?"

শবৰহঁতৰ নেতাই হোহোৱাই হাঁহি উঠি কলে, "তুমি কৰ লৰা হে! আমাৰ দেৱতাৰ সৈতে কথা পাতিবা! তেওঁৰ ৰূপ অতি ভয়ংকৰ। একেবাৰে ধূমকলা বৰণ তেওঁৰ। তেওঁক দেখামাত্ৰকে ভয় খাই তুমি তেজ বঁতিয়াবা আৰু পাছ মূহূৰ্ততে কিজানি মৰি থাকিবা।"

গণেশে শবৰহঁতৰ চৰ্দাৰতকৈও জোৰেৰে হাঁহি কলে, "আচলতে তোমালোকৰ নিজৰ মনৰ ভয় দেৱতাৰ নামত আনৰ ওপৰত জাপি দিছা। তাৰ অৰ্থ হল যে- দেৱতালৈ তোমালোকৰ ভয়হে আছে, ভকতি নাই। তোমালোক ইমানেই নিষ্ঠুৰ যে সৰু সৰু লৰাহঁতক ধৰি ধৰি বলি দিয়া। তোমালোকৰ দেৱতাই কেতিয়াও কাকো বলি দিবলৈ কোৱা নাই। দেৱতালৈ ভাল দৃষ্টিৰে চালেই দেৱতাৰ সুন্দৰ ৰূপ দেখা পাবা।"

এই বুলি কৈ গণেশে সেই কলা শিলচটা হাতেৰে স্পৰ্শ কৰাৰ লগে লগেই কলা শিলচটা বগা হৈ পৰিল। পাছ মূহূৰ্ততে সেই বোবা লৰাটোৰ উচুঁপনি বন্ধ হল আৰু বোবা লৰাটোৱে কৈ উঠিল, "হে প্ৰভু! তুমিয়েই মোৰ ভৰসা!" এই বুলি কৈ লৰাটোৱে শিলচটাক ভক্তিযুক্তভাৱে প্ৰণাম কৰিলে।

কলা শিল বগা হল, বোবাৰ মুখৰপৰা কথা ওলাল - এইবোৰ কথা কাণ্ড চকুৰ পচাৰতে ঘটি গল। তেতিয়া হতবাক শবৰহঁতে সেই সৰু ল'ৰাৰূপী গণেশক একযোগে প্ৰণাম কৰিলে।

তেতিয়া গণেশে কলে, "মোক প্ৰণাম



নকৰিলেও হব, তোমালোকৰ দেৱতাক ভয় কৰাৰ সলনি ভক্তিভাৱেৰে প্ৰণাম কৰাঁগৈ। মই তোমালোকৰ দেৱতাক কম তোমালোকৰ মনত পৰিৱৰ্তন আনিবলৈ।" এই বুলি কৈ সেই সৰু লৰাৰূপী গণেশ পাহাৰৰ ওপৰলৈ গৈ থাকিল। যোৱাৰ আগতে গণেশে শবৰহঁতক কৈছিল, "যিটো বোবা ল'ৰাক তোমালোকে বলি দিবলৈ আনিছিলা, সেই লৰাটোকেই তোমালোকৰ দেৱতাৰ পূজাৰী পাতিবা।"

সৰু লৰাৰ ৰূপ ধৰিয়েই গণেশ পৰ্বতৰ চূড়া পালেগৈ। তাত তলমূৰ হৈ ভৈৰৱ বহি আছিল। ভৈৰৱৰ দেহৰ বৰণ আছিল ধূমকলা। দুশ্চিন্তাগ্ৰস্ত ভৈৰৱক গণেশে আঁকোৱালি লোৱাত ভৈৰৱৰ গাৰ বৰণ লগে লগে বগা হৈ পৰিল।

ভৈৰৱে মনৰ আনন্দৰে গণেশক সাৱটি ধৰি কলে, "তুমি সৰু লৰা এটিৰ ৰূপ লৈ আহিছা, যদিও তুমি যে গণেশ, তুমি যে বিঘ্নেশ্বৰ, সেই কথা বুজাত মই অলপো টান পোৱা নাছিলোঁ। তোমাৰ অনুগ্ৰহৰ ফলত মোৰ কলা ৰূপ নিশ্চিহ্ন হল। মোৰ ৰূপৰ পৰিৱৰ্তন ঘটাবা বুলি মই দৈৱবাণী শুনিছিলোঁ আৰু তেতিয়াৰেপৰা তোমালৈ বাট চাহি বহি আছিলোঁ। মোক ইমান অনুগ্ৰহ কৰিলাই যদি আৰু অলপ অনুগ্ৰহ কৰাঁ। অনুগ্ৰহ কৰি এটিবাৰলৈ তোমাৰ নিজৰ ৰূপ দেখুৱা মোক।"

ভৈৰৱৰ অনুৰোধত গণেশে নিজ ৰূপ ধাৰণ কৰি কলে, "এতিয়াৰপৰা তুমি দেৱতাৰূপে পূজিত হ'ব। শিৱ আৰু কেশৱ দুয়ো তোমাৰ মাজতে অৱস্থিত। তোমাৰ কথা মই মাৰ মুখৰপৰা শুনিছিলোঁ। তেতিয়া-ৰেপৰাই তোমাক চাবলৈ মই ছটফটাই আছিলোঁ। শিৱ আৰু বিষ্ণুৰ বীৰ্য্যৱত্তা তোমাৰ মাজত অনুপ্ৰবিষ্ট হোৱাত তাৰ তীব্ৰতাৰ ফলত তোমাৰ গাৰ বৰণ ক'লা হৈছিল। এতিয়া তোমাৰ ৰূপ অতুলনীয়। আন কোনো দেৱতাৰ ইমান সুন্দৰ ৰূপ নাই। তুমি তোমাৰ ভক্তবৃন্দক এতিয়া এবাৰ দৰ্শন দিয়াগৈ যোৱা।"

তাৰ পাছত গণেশে আকৌ সৰু ল'ৰাৰ ৰূপ ধৰি শবৰহঁতৰ ওচৰলৈ গ'ল আৰু সিহঁতক সিহঁতৰ দেৱতাৰ ওচৰলৈ যাবলৈ কলে। গণেশে সিহঁতক আৰু ক'লে যে, সিহঁতে পাহাৰৰ ওপৰলৈ গৈ ভক্তিভাৱে মাতিলেই সিহঁতৰ দেৱতাই দেখা দিবহি। এই বুলি কৈ গণেশ পলকতে অদৃশ্য হ'ল।

চকুৰ পচাৰতে গণেশক অদৃশ্য হোৱা দেখি শবৰহঁতে ভয় খালে। যি কি নহওক- সিহঁত পৰ্বতৰ ওচৰলৈ গ'ল আৰু দেৱতাক বাৰে বাৰে মাতিলে। তেতিয়া ভৈৰৱ সিহঁতৰ আগত ওলাল আৰু হস্তেৰে অভয় মুদ্ৰা প্ৰদৰ্শন কৰি, সিহঁতক আশীৰ্বাদ কৰি অন্তৰ্হিত হ'ল।

এই ঘটনাৰ পাছৰপৰা শবৰহঁতে বছৰেকত এবাৰকৈ ভৈৰৱক পূজিছিল আৰু গণেশৰ নিৰ্দেশ অনুসাৰে জ্ঞানবৃদ্ধিৰ বাবে অধ্যয়ন কৰিছিল। শবৰহঁতে গণেশৰ পৰামৰ্শ অনুসাৰে ঘৰ-দুৱাৰ সাজিছিল, আনকি তেতিয়াৰাপৰা খেতিবাতিতো ধৰিছিল। ইমান দিন ধৰি সিহঁতে বনৰীয়া ফল মূল আৰু অন্যান্য বিভিন্ন বস্তু খায়েই জীৱনধাৰণ কৰিছিল।

সৰু ল'ৰাৰ ৰূপ ধৰি কোন আহিছিল- শবৰহঁতে নাজানিছিল। সিহঁতে পাছত ভাবিছিল যে সিহঁতৰ দেৱতায়েইহে সৰু ল'ৰাৰ ৰূপ লৈ সিহঁতৰ আগত ওলাইছিলহি। এইবোৰ যে গণেশৰ লীলা- সেই কথা সিহঁতে গমেই নাপালে। গণেশে নিজ ৰূপত শবৰহঁতৰ আগত প্ৰকাশিত হোৱাহেঁতেন সিহঁতে নিজৰ আৰাধ্য দেৱতাতকৈ গণেশলৈহে অধিক ভকতিৰে নৈবেদ্য আগবঢ়ালেহেঁতেন। কিন্তু এয়া গণেশৰ কাম্য নাছিল বুলিয়েই তেওঁ সৰু ল'ৰাৰ ৰূপ লৈ আহিছিল।

গণেশৰ কথাত শবৰহঁতে খেতি-বাতিত ধৰিলে। কিন্তু গণেশে বাস্তৱ অভিজ্ঞতাৰে বুজিলে যে,অকল মাটি থাকিলেই খেতিবাতি নহয়। পানী লাগিব, মাটিৰপৰা

শিল গুচাব লাগিব, মাটিক সাৰুৱা কৰি তুলিব লাগিব আৰু ভাল মাটি লাগিব । শৱৰহঁত আছিল ভাৰতবৰ্ষৰ দক্ষিণ অঞ্চলৰ মানুহ । সিহঁতে মুখে মুখে শুনিলে যে ভাৰতৰ উত্তৰ অঞ্চলৰ মাটি অত্যন্ত ভাল, শিল নাই, আৰু সাৰুৱা। তাত গংগা নামৰ এখন নৈ আছে । সিহঁতে আকাশলৈ চাই ক'লে: আমাৰ দেশৰ উত্তৰভাগত গংগা আছে । গংগাৰ দুকাষতে পানীৰ অভাৱ কেতিয়াও নহয় । আমাৰ দেৱতায়ো আমাক গংগাৰ দৰে নহ'লেও, সৰু নৈ এখন দিব নোৱাৰেনে? পানী নোহোৱাকৈ আমি খেতি - বাতি কৰো কেনেকৈ? কোনো এগৰাকী দেৱতায়ো আমালৈ এইকণ দয়া প্ৰদৰ্শন নকৰিবনে?

গণেশৰ মস্ত মস্ত কাণ । সেই কাণেৰে সকলোৰে সকলো কথা শুনি । গণেশে লক্ষ্য কৰিলে যে, দক্ষিণাঞ্চলৰ পশ্চিম ভাগত বৰ ওখ ওখ পৰ্বত আছে আৰু পূব ভাগত আছে সৰু সৰু পাহাৰ । দুয়ো পৰ্বতশ্ৰেণীৰ সোঁমাজতে আছে বিস্তীৰ্ণ ভূভাগ। অধিকভাগ ঠায়েই সৰু সৰু পাহাৰেৰে আগুৰা । সেই ঠাইৰ মানুহে পশু-পক্ষী মাৰি খায় । কোনোবাইতে সাগৰৰ পানীৰপৰা মাছ মাৰি আনে । এক কথাত ক'বলৈ গ'লে ভাৰতৰ উত্তৰাঞ্চলৰ অধিবাসীসকলৰ তুলনাত দক্ষিণাঞ্চলৰ অধিবাসীসকলে জীৱন ধাৰণৰ বাবে বহু বেছি শ্ৰম কৰিবলগীয়া হয়। যিসকলে দিনে নিশাই শ্ৰম কৰে, অথচ শ্ৰমৰ যোগ্য পুৰস্কাৰ নাপায়- সেই সকল মানুহৰ কথা গণেশে ভাবিবলৈ ধৰিলে । এই মানুহখিনিৰ দুখ দুৰ্দশা কেনেকৈ গুচাব পাৰি-সেই সমস্যাৰ সমাধান কৰিবলৈ গণেশে চিন্তিত হল ।

হঠাৎ গণেশৰ মনত এটা প্ৰশ্নই মূৰ দাঙিলে আৰু তেওঁ তৎক্ষণাত উত্তৰ ভাৰতলৈ ৰাওণা হ'ল ।

উত্তৰ ভাৰতলৈ গৈ গণেশে অবাক বিস্ময়ৰে লক্ষ্য কৰিলে যে, উত্তৰভাৰতৰ যথেষ্ট পৰিৱৰ্তন হৈছে ।

গণেশে ভাবিলে: এই পৰিৱৰ্তনৰ হেতু নো কি? কিয় এনে হ'ল ? নঘটিবলগীয়া বিষয় এটা ঘটিল কেনেকৈ ? এয়া অঘটন, নে স্বাভাৱিক ? গণেশে অবাক বিস্ময়েৰে সেই ঠাইৰ চাৰিওফালে চাবলৈ ধৰিলে ।



ৰাম ভক্ত

এখন সৰু পৰ্বতত এটা ৰামৰ মন্দিৰ আছিল। মন্দিৰৰ চাৰিওফালে বহুত বান্দৰ আছিল। সেই মন্দিৰলৈ যিবোৰ ভক্ত আহিছিল তেওঁলোকে এই বান্দৰবোৰক ৰামভক্ত হনুমানৰ অংশ বুলি ভাবিছিল। সেয়েহে তেওঁলোকে যেতিয়াই মন্দিৰলৈ আহিছিল বান্দৰবোৰকো ফল মূল খাবলৈ দিছিল।

কপিল নামৰ এজন ল'ৰা মাক দেউতাকৰে সৈতে মন্দিৰলৈ আহিছিল। তাৰ দেউতাকৰ সকলো সম্পত্তি তেওঁলোকৰে এজন আত্মীয়ই আত্মসাৎ কৰিছিল। সি হাকিমৰ ওচৰত গোচৰ দিব খুজিছিল, কিন্তু হাকিমক লগধৰাতো তাৰ কাৰণে সম্ভব হোৱা নাছিল। কাৰণ সেই আত্মীয়জনে হাকিমৰ ঘৰৰ পহৰাদাৰজনক বহুত টকা ভেটি দি ৰাখিছিল। তাতকৈ যদি বেচি টকা পহৰাদাৰজনক ভেটি দিব পাৰে তেতিয়াহে সি হাকিমক দেখা কৰাৰ সুবিধা পাব। কিন্তু তাৰ লগত ইমান টকা নাছিল। সেয়েহে তাৰ দুখৰ কথা স্বয়ং ৰামক শুনাবলৈ সি আজি মন্দিৰলৈ আহিছে। প্ৰাৰ্থনা কৰাৰ পিছত সি বাহিৰলৈ আহি বান্দৰক খুৱাবলৈ ধৰিলে।

কপিলৰ লগত এটা কল আছিল। কিন্তু সি সেইটো বান্দৰক নিদিলে। সি দূৰত বহি থকা এটা বান্দৰৰ ফালে চাই আছিল। সেই বান্দৰটোৱে লৰচৰ নকৰাকৈ কলটোৰ ফালে একেথৰে চাই আছিল। কপিলে বান্দৰটোৰ ওচৰলৈ গৈ দেখে যে তাৰ ঠেঙত আঘাত লাগিছে। সেয়েহে সি চলা-ফুৰা কৰিব নোৱাৰে। কপিলে কলটো দিয়াত বান্দৰটোৱে আনন্দমনে খাবলৈ ধৰিলে। কপিলৰ লগত গাঁৱৰ বৈদ্যই দিয়া এক লেপন আছিল। সেইটো লগালে ঘা শুকাই যায়।

কপিলে বান্দৰটোৰ ঠেঙত লেপন লগাই দি কলে, "ইয়াত তঁহতে কিবা নহয় কিবা খাবলৈ পাবি। কিন্তু তোৰ শৰীৰ ভাল নহয়। আমাৰ এই মানৱ জাতিৰ কিমান সুবিধা।

এটা কাম কৰ । এই ঠাই এৰি মোৰ লগত যাওঁ বল ।”

মানুহৰ মাজত বিচৰণ কৰি থকা এই বান্দৰবোৰে মানুহৰ ভাব বুজিব পাৰে, কবহে নোৱাৰে । বান্দৰটোৱে কপিলৰ ফালে চাই থাকিল । কপিল মাক দেউতাকৰ সৈতে গুচি গ'ল ।

পিছদিনাখনে বান্দৰটোৰ ঘা ভাল হৈ গল। সি আচৰিত হৈ এই কথাটো অন্য বান্দৰবোৰৰ আগত কলে । সি কলে যে মই মানুহৰ মাজলৈ যাম আৰু তেওঁলোকৰ লগতে থাকিম । এই কথা শুনি এটা বুঢ়া বান্দৰে কলে,“মানুহক বিশ্বাস কৰা উচিত নহয়। এইটো নেভাবিবা যে মন্দিৰত তেওঁলোকে আমাক যি ব্যৱহাৰ কৰে ঘৰতো সেই একেই ব্যৱহাৰেই কৰিব । আমাৰ কাৰণে ইয়াত থকাই ভাল ।”

বুঢ়া বান্দৰৰ উপদেশ সেই বান্দৰটোৰ মনত নালাগিল । এদিন সি তাক কল খাবলৈ দিয়া ধনী মানুহ এজনৰ লগে লগে গ'ল । ধনী মানুহজনৰ এনে লাগিল যেন সাক্ষাৎ হনুমানহে তাৰ ঘৰলৈ আহিছে । মানুহজনে তাক খাবলৈ দিলে । তেওঁৰ ল'ৰা ছোৱালী-বোৰে তাৰ লগত খেলিবলৈ ধৰিলে। এইদৰে বান্দৰটোৱে আৰামেৰে দিন নিয়াবলৈ ধৰিলে। কিন্তু বান্দৰৰ বান্দৰামী স্বভাৱ যাব ক'ত । এদিন বান্দৰটোৱে তেওঁলোকৰ ঘৰৰ সকলো বস্তু সিচৰতি কৰি দিলে । চাকৰবোৰে তাক খেদি যোৱাত সি বাগিছাত সোমাই তাতে ফুলৰ পুলিবোৰ নষ্ট কৰি পেলালে ।

ধনী মানুহজনৰ সহ্যৰ সীমা পাৰ হৈ গ'ল। তেওঁ ভাবিলে ইয়াক ঘৰত ৰখা মানে বিপদ চপাই লোৱা হে হব । বান্দৰে শাপ দিব বুলি মানুহজনে তাক নামাৰিলে । পিচে তাক এজন বান্দৰ নচুৱা বাজীকৰক দি দিলে ।

বাজীকৰৰ নাম আছিল বলবন্ত । সি বৰ কঠোৰ হৃদয়ৰ আছিল । সি বান্দৰটোক মাৰি পিটি বহুতো খেলা শিকাইছিল । তাৰ পাছত হাটে বজাৰে খেলা দেখুৱাই ফুৰিছিল । বান্দৰৰ খেলা দেখুৱাই সি টকা উপাৰ্জন কৰিছিল। বাজীকৰৰ ভয়ত বান্দৰটোৱে নাচিছিল, পিছে তাৰ নাচ দেখি দৰ্শকবোৰে হাত তালি দিয়াতো সি ভাল নাপাইছিল । বান্দৰটোৱে এতিয়াহে বুজিব পাৰিলে, স্বাধীনভাবে থকাত কিমান আনন্দ আছে ।

এদিন বলবন্তে বান্দৰটোক ধুনীয়া এযোৰ কপোৰ পিন্ধাই চাৰি আলিৰ চকত খেলা দেখুৱাই আছিল । ধুনিয়া বান্দৰটো দেখি

বাস্তাৰে গৈ থকা এজন ৰত্ন বেপাৰী খেলা চাবলৈ বুলি থিয় হল । বলবন্তে তেওঁৰ ফালে এবাৰ চাই বান্দৰটোক ইঙ্গিতেৰে কলে, "তই যদি খেলা চাই থকা ৰত্ন বেপাৰীৰ হাতত থকা টকাৰ মোনাখন চুৰি কৰি লৈ আহিব পাৰ তোক মই মুকলি কৰি দিম ।" এইবুলি কৈ বলবন্তে বান্দৰটোৰ ডিঙিৰ শিকলিডাল খুলি দিলে ।

বান্দৰটোৱে জঁপিয়াই জঁপিয়াই ৰত্ন বেপৰীটোৰ ওচৰলৈ গ'ল । এপাকত সি ৰত্ন বেপাৰীৰ হাতৰ পৰা টকাৰ মোনাখন টান মাৰি নি কাপোৰৰ মাজত লুকাই ললে । তাৰ পাছত সি দৌৰি পলাবলৈ ধৰিলে । বেপাৰীজন হতভম্ভ হৈ ৰল । দৰ্শকবোৰেও তিৎকাৰী বজাবলৈ ধৰিলে । কিছুমানে বান্দৰটোক শিলগুটি দলিয়াবলৈ ধৰিলে । বান্দৰটোৱে ভয়তে গছত উঠি ঘৰৰ চালত জঁপিয়াই পৰিল । তাৰ পাছত আকৌ গছত উঠিল । এইদৰে জঁপিয়াজঁপি কৰি থাকোতে এঘৰ মানুহৰ পিছফালৰ চোতালত গৈ বাগৰি পৰিল ।

সেইটো আছিল কপিলৰ ঘৰ । কপিলে বান্দৰটো বাগৰি পৰা দেখিবলৈ পাই বান্দৰটোৰ মূৰত পানী চতিয়াই দিলে । বান্দৰটোৰ জ্ঞান ফিৰি অহাত কপিলে তাক কল খাবলৈ দিলে । বান্দৰটোৱে কপিলক চিনিব পাৰিলে আৰু ইঙ্গিতেৰে সি কপিলে লেপন দিয়া ঠেংখন দেখুৱাই দিলে । কপিলে আচৰিত হৈ মাকক মাতিলে ।

কপিলে মতা দেখি তাৰ মাক দেউতাক দুয়ো আহিল । এনেতে বান্দৰটোৱে কাপোৰৰ তলৰ পৰা মোনাখন উলিয়াই

কপিলক দিলে । কপিলৰ দেউতাকে মোনাখন খুলি দেখে যে সেই ৰত্নেৰে ভৰি আছে ।

কপিলৰ দেউতাকৰ অইনৰ সম্পত্তিৰ প্ৰতি লোভ নাছিল । তেওঁ মোনাৰ ভিতৰত এটুকুৰা কাগজ দেখিবলৈ পালে । সেই কাগজত ৰত্ন বেপৰীৰ নাম ঠিকানা লিখা আছিল । তেওঁ কলে, "বেচেৰা বেপাৰী-টোৱে ৰত্নবোৰ হেৰুৱাই কিমান চিন্তিত হৈ আছে । মই গৈ তেওঁক মোনাখন দি আহো।" এইবুলি কৈ তেওঁ মোনাখন লৈ ওলাই গ'ল।

বেপাৰীজনে ৰত্নৰ মোনা ঘূৰাই পোৱাৰ আশা এৰি দিছিল । কপিলৰ দেউতাকে ৰত্নৰ মোনাখন যেতিয়া ওভতাই দিলে তেতিয়া তেওঁ আচৰিত হৈ কলে, "আজিৰ দিনত তোমাৰ দৰে লোক বিৰল দেখা যায় ।

তোমাক যি সাহায্য লাগে মোক নি:সংকোচে খুজিব পাৰা ।"

কপিলৰ দেউতাকে তেতিয়া নিজৰ দুখৰ কাহিনী কলে । ৰত্ন বেপাৰীয়ে তেওঁক প্ৰবোধ দি কলে, "মোৰ আগত এই কথা কৈ ভালেই কৰিলা । সেই হাকিমজন মোৰ বন্ধু । চিন্তা নকৰিবা, তুমি এদিন উচিত বিচাৰ পাবাই।" ৰত্ন বেপাৰীয়ে কপিলৰ দেউতাকক হাকিমৰ ওচৰলৈ লৈ গ'ল । যেতিয়া হাকিমজনে জানিব পাৰিলে তেওঁ ঘৰৰ পহৰাদাৰজনেও ভেটি খায় তেতিয়া তেওঁ তাক কামৰ পৰা খেদি দিলে আৰু কপিলৰ দেউতাকক আত্মীয়জনৰ হাতৰ পৰা সম্পত্তি উদ্ধাৰ কৰি দিলে ।

কপিলৰ দেউকাকে ঘৰলৈ উভতি আহি তেওঁৰ পত্নী আৰু পুত্ৰৰ আগত সকলো কথা ভাঙি পাতি কলে । তেতিয়া কপিলে আনন্দিত হৈ দেউতাকক কলে, "দেউতা এই বান্দৰটোৰ কাৰণেহে আমি সম্পত্তি ঘূৰাই পালো । আমি ইয়াক পুহিম ।"

"এনে কৰাতো ভুল হব । ই আমাক সহায় কৰিছে হয় । কিন্তু তাৰমানে এইটো নহয় যে তাৰ স্বাধীনতা আমি হৰণ কৰো ।" কপিলৰ দেউতাকে কলে । কপিলে অসহায়ভাবে বান্দৰটোৰ ফালে চালে । সি ইঙ্গিতেৰে কপিলৰ দেউতাকৰ মহানতাৰ প্ৰশংসা কৰিলে । আজিৰ দিনত এনে মহান হৃদয়ৰ ব্যক্তি খুব কমেই পোৱা যায় ।

এসপ্তাহৰ পিছত কপিলৰ পৰিয়ালৰ সকলোৱে বান্দৰটোক পাহাৰৰ ওপৰত থকা ৰাম মন্দিৰলৈ লৈ গৈ তাতে এৰি আহিল । সম্পত্তি পোৱাৰ আনন্দত তেওঁলোকে মন্দিৰত পূজাও দিলে । তেতিয়াৰ পৰা তেওঁলোকে প্ৰতি বছৰে ৰাম মন্দিৰলৈ আহে।

মাক দেউতাকে যদি ভগবান ৰামক দৰ্শন কৰিবলৈ আহে, কপিল আহে ৰামৰ ভক্ত বান্দৰক চাবলৈ । সৰু লৰাবোৰে বান্দৰক শিলগুটি দলিওৱা দেখিলে সি কয়, বন্ধুসকল বান্দৰৰ গাত শিলগুটি নদলিয়াবা। আমি তাক মৰম কৰিলে সি আমাৰ কাৰণে ৰত্ন লৈ আহিব । তুমি তাৰ দুখ বুজিলে, সিও তোমাৰ দুখ বুজিব। পশু পক্ষীক মৰম কৰিলে সিহঁতেও মৰম দিয়ে । বান্দৰতো সাধাৰণ জন্তু নহয়, সিহঁত ৰামৰ সেৱক, ৰাম ভক্ত হনুমানৰ অংশ।





সীমাহীন মূৰ্খ

প্ৰসাদে চহৰৰ কাছাৰীত কাম কৰে । তেওঁৰ গাওঁ বকুলপুৰত তেওঁৰ এটা সৰু ঘৰ আছে আৰু পাঁচ একৰ খেতিৰ মাটি আছে । তেওঁৰ কোনো সতি সন্তান নাই । তেওঁৰ পত্নীও অসুখীয়া । বহুদিন তেওঁ চহৰতে থাকি চাকৰি কৰা কাৰণে গাঁৱৰ ঘৰলৈ যাবলৈ তেওঁৰ সময়ে নহয় । অতি সোনকালে তেওঁ চাকৰিৰ পৰা অবসৰ লব । অবসৰ লোৱাৰ পিছত তেওঁ গাঁৱৰ ঘৰতে থকাৰ সিদ্ধান্ত কৰিছে । সেয়েহে তেওঁ গাঁৱৰ ঘৰটো মেৰামতি কৰাৰ কথা ভাবিলে ।

গাঁৱৰ ঘৰটো মেৰামতি কৰিবলৈ আৰু খেতিৰ মাটিবোৰ ঠিক থাক কৰি লবলৈ কমেও তিনিমাহ সময় লাগিব । তেওঁ কাছাৰীৰ নানা কামত ব্যস্ত থাকিব লগা হয় । সেয়েহে তিনিমাহ ছুটী লোৱাতো তেওঁৰ বাবে সম্ভব নহয় ।

পৰশু নামৰ চাকৰ এজনে তেওঁৰ ঘৰত বহুদিন ধৰি কাম কৰি আছে । সি অতি বিশ্বাসী, কিন্তু তাৰ বুদ্ধি কম । আনহাতে এই কাম কৰিব পৰা অন্য মানুহো নাই ।

এদিন প্ৰসাদে পৰশুক আৱশ্যকীয় টকা পইচা দি গাঁৱৰ ঘৰৰ কামবোৰ কৰিবলৈ পঠাই দিলে । পৰশুৱে অতি কম দিনৰ ভিতৰতে কামবোৰ শেষ কৰি উঠি আহিল । প্ৰসাদে তাৰ কামৰ প্ৰশংসা কৰিলে ।

মালিকৰ প্ৰশংসাত আনন্দিত হৈ পৰশুৱে কলে, "বাবু, আমাৰ খেতিপথাৰত এটা কুঁৱা খান্দিব পাৰিলে ভাল হয় । তাৰ পৰা খেতিত পানী দিলে ভাল ফচল পোৱা যাব ।"

এই পৰামৰ্শটো প্ৰসাদৰ মনত লাগিল । তেওঁ কলে, তুমি ঠিকেই কৈছা, তুমি আকৌ গাঁৱলৈ যোৱা আৰু এই কামটোও শেষ কৰি আহা ।" ইয়াৰ বাবে আৱশ্যকীয় টকা পইচাও দিলে ।

কুম্বৰ সিং

দুসপ্তাহৰ পিছত পৰশুৱে অতি বিমৰ্ষ মনে গাঁৱৰ পৰা উঠতি আহিল । তেওঁ মালিকক কলে, "বাবু, আপুনি কোৱা মতেই মই কুঁৱা খন্দালো । ত্ৰিশ ফুট দলৈকে খান্দিলে, তথাপি পানী ওলোৱা নাই ।

পৰশুৰ কথা শুনি প্ৰসাদে কলে, "কোনো কথা নাই । এইবাৰ চল্লিশ ফুট গভীৰলৈকে খন্দাবা । ইয়াৰ পিছতো যদি পানী নোলাই পঞ্চাশ ফুট দলৈকে খান্দিবলৈ দিবা । পানী নিশ্চয় ওলাব ।

এমাহ পিছত পৰশুৱে পুনৰ নিৰাশ হৈ উভতি আহিল । মালিকক তেওঁ দুখমনে কলে, "বাবু, পঞ্চাশ ফুট দকৰি কুঁৱাটো খন্দাৰ পিছতো পানীৰ দেখা দেখিয়েই নাই ।"

পৰশুৰ কথা শুনি প্ৰসাদ আচৰিত হল । তেওঁ বুজিব পৰা নাই তেওঁৰ খেতি পথাৰত কি হৈছে । ওচৰ -কাষৰৰ খেতিপথাৰৰ কুঁৱাবোৰতো পানীৰে উপচি আছে । তেতিয়া তেওঁৰ পত্নী শান্তাই কলে, "নাজানো, পৰশুৱে তাত কি কৰিছে । মই কবলৈ হলে আপুনি নিজে গৈ এবাৰ চাই অহাই ভাল হব।"

প্ৰসাদে এদিন ছুটি লৈ পৰশুৰ সৈতে গাঁৱলৈ গল । খেতি পথাৰলৈ গৈ প্ৰসাদৰ চকু কাপলত উঠিল । তেওঁ দেখিবলৈ পালে তাত তিনিটা কুঁৱা খন্দা আছে । এটা ত্ৰিশ ফুট গভীৰতাৰ, দ্বিতীয়টো চল্লিশ ফুটৰ আৰু তৃতীয়টো পঞ্চাশ ফুটৰ ।

পৰশু যে সিমান বুদ্ধিমান নহয় প্ৰসাদে সেই কথাটো জানিছিল, কিন্তু সি যে ইমান মূৰ্খ সেইটো জনা নাছিল । তথাপি মূৰ্খৰো এটা সীমা থাকে, ইয়াৰ তাকো নাই । প্ৰসাদে ভাবিলে ইয়াক গালি পাৰিও লাভ নাই । তেওঁ পৰশুক কলে, "পৰশু, তুমি ডাঙৰ ভুল কৰিছা । প্ৰথমতে যিটো ত্ৰিশ ফুট খান্দিছিলা সেইটোকে আৰু বিশ ফুট খন্দাব লাগিছিল ।

তেতিয়া পানী ওলালহেতেন । এতিয়া টকাবোৰে অথলে গ'ল, তাৰোপৰি পথাৰৰ চাৰিওফালে গাঁতেই গাঁত হ'ল ।

মালিকৰ কথা শুনি পৰশুৰ দুচকুৰে পানি বৈ আহি ভৰিত পৰিল । প্ৰসাদে তাক সান্ত্বনা দি কলে,"পৰশু, যি হবৰ হৈ গ'ল । এতিয়া দুখ কৰি আৰু লাভ নাই । যি ভুল হল তাক সুধৰোৱাৰ এটাই মাথোঁ পথ আছে । বাকী কুঁৱাবোৰ মাটি ভৰাই মাৰি পেলোৱা । এটা

মাথোঁ কুঁৱা আৰু দকৈ খান্দিবলৈ দিয়া । নিশ্চয় পানী ওলাব । মই থাকিব নোৱাৰিম । কালিয়েই অফিচৰ কামত যোগ দিব লাগিব।" এইবুলি কৈ প্ৰসাদে পৰশুক আৰু অলপ টকা দিলে ।

"আমিনো কি কৰিব পাৰো । পৰশুৰ বাহিৰে সহায় কৰোতাও কোনো নাই । পানী ওলালে ভাবিব লাগিব আমি খুব ভাগ্যবান।" চিন্তিত মনে শান্তাই কলে ।

এইবাৰ পৰশুৱে কুঁৱাৰ পানী ওলোৱা ভাল খবৰটো মালিকক দিলে । প্ৰসাদে পৰশুক সুধিলে, "কিমান ফুট খন্দাৰ পিছত পানী ওলাল ।

পৰশুৱে কলে, "ষাঠি ফুট খন্দাৰ পিছত পানী পোৱা গ'ল । যাহওঁক কুঁৱাটো পানীৰে ভৰি আছে ।" পৰশুৰ কথাত উৎসাহৰ ভাব।

পৰশুৱে যি টকা প্ৰসাদক ওভটাই দিছিল তাৰ হিসাব কৰি তেওঁ পৰশুক সুধিলে, "কোনটো কুঁৱা দকৈ খান্দিলা আৰু কোনদুটা কুঁৱাত মাটি ভৰালা?"

পৰশুৱে বিনয়েৰে কলে, "প্ৰথমতে যিটো ত্ৰিশ ফুট খান্দিছিলো সেইটোকে আকৌ ত্ৰিশ ফুট খন্দালো । বাকী দুটা মাটিৰে পূৰ্ণ কৰি দিছো ।"

তাৰ কথা শুনি প্ৰসাদৰ মুখৰ মাত হৰিল। তেওঁ কলে, "পঞ্চাশ ফুট গভীৰ যিটো কুৱা খন্দা হৈছিল সেইটোকে আৰু দহ ফুট খন্দালে পানী ওলালহেতেন । তোমাৰ মূৰ্খমীৰ সীমা পাৰ হৈ গৈছে ।

এতিয়ালৈকে মনে মনে কথা শুনি থকা শান্তাই কলে, "তাৰ মুৰ্খমীৰ কথা বাদ দিয়ক। আপুনিও একো কম নহয় । যেতিয়া আপুনি জানিছিল যে কুঁৱা খান্দোতে সি দুবাৰ ভুল কৰিছে তৃতীয়বাৰ তাক ভালদৰে বুজাই কৈ আহিব লাগিছিল । টকাবোৰ অথলে যোৱাৰ কাৰণে প্ৰধানকৈ আপুনি দায়ী । নহয় নে বাৰু ?"



আগৰ জন্মৰে গোন্ধ

বসন্তই আনৰ পৰা টকা ধাৰে লোৱাত খুব পাকৈত আছিল। মিঠা মিঠা কথাকৈ আনৰ পৰা টকা ধাৰ লৈছিল। গাঁৱত এনে এজন মানুহ নাছিল, যাৰ পৰা তেওঁ ধাৰ লোৱা নাছিল। টকা ধাৰ লোৱাৰ পিছত তেওঁৰ পৰা লুকুৱাই থাকিবও বসন্তই ভালদৰে জানিছিল।

এবাৰ লালু নামৰ খেতিয়ক এজন ধাৰলৈ অনা টকা খুজিবলৈ তেওঁৰ ঘৰলৈ আহিল। তেওঁ দুৱাৰত টুকুৰীয়াই দিয়াত বসন্তৰ ঘৈনীয়েকে দুৱাৰ খুলি দি সুধিলে, "আপোনাক কি লাগে?"

লালুয়ে কলে, "মই বসন্তক লগ কৰিবলৈ আহিছো। তেওঁ মোৰ পৰা দুশ টকা লৈছিল। দুই তিনিদিনৰ ভিতৰতে ওভোতাই দিয়াৰ কথা আছিল। কিন্তু পোন্ধৰদিন হৈ গ'ল, টকাও দিয়া নাই আৰু তেওঁক দেখিবলৈকে পোৱা নাই। তেওঁক বাহিৰলৈ আহিব দিয়ক। যেতিয়ালৈকে তেওঁ মোৰ টকা ওভোতাই নিদিয়ে, তেতিয়ালৈকে মই ইয়াতেই থাকিম।"

বসন্তৰ ঘৈনীয়েকে কলে, "ঘৰত থাকিলেহে মাতিম! তেওঁ যিহেতু ঘৰত নাইয়ে মাতিম কৰ পৰা?"

এই কথাত লালুয়ে হাঁহি হাঁহি কলে, "মই ইমান মুৰ্খ নহয় যে, আপোনাৰ কথা বিশ্বাস কৰিম। তেওঁক সোনকালে বাহিৰলৈ আহিব দিয়ক।"

"আচৰিত কথা, আপুনি কেনেকৈ গম পালে যে তেওঁ ভিতৰত আছে?" বসন্তৰ ঘৈনীয়েকে সুধিলে।

"চিগাৰেটৰ গোন্ধ ওলাইছে। তাৰমানে তেওঁ ঘৰৰ ভিতৰতে আছে।" লালুয়ে খঙেৰে কলে।

এই কথাত বসন্তৰ পত্নীয়ে হাঁহি মাৰি কলে, "চিগাৰেটৰ গোন্ধটো মানুহজন গুচিযোৱাৰ পাছতো পোৱা যায়। সেই গোন্ধটো তেওঁৰ তাত আগৰ জন্মৰ পৰাই আছে। আপোনাক এই পিনে আহিথকা দেখি তেওঁ পিছফালেৰে গুচি গৈছে।"

এই কথা শুনি দাঁত কামুৰী লালু তাৰ পৰা গুচি গ'ল।

- মনোহৰ



চান্দমামাৰ নিবেদন
অজেয় গৰুড়
17
চিত্ৰ : পাণি
গুহাৰ মন্দিৰত তান্ত্ৰিক নাগবন্ধুৱে হঠাতে অনুষ্ঠান বন্ধ কৰি দিলে । আপ্তু পুৰুষে নৰেন্দ্ৰদেৱক বুজাই কলে, নিশ্চয় কিবা ভুল হব লাগিব । তান্ত্ৰিকে যুৱক আদিত্যক সকলো কামৰ কাৰণে দায়ী বুলি কলে । নৰেন্দ্ৰদেৱৰ মনত এক সন্দেহ উপজিল ইয়াৰ মাজতে আদিত্যই ৰজাৰ সৈতে গুপ্তস্থানত দেখা কৰিলে ।তেওঁ ৰজাই কোনো নতুন ঠাইলৈ স্থানান্তৰ হোৱাতো বিচাৰিছিল । কিন্তু ৰজাই ৰাজপ্ৰাসাদলৈ উলতি যাবহে খুজিলে যত প্ৰজাসকল তেওঁৰ অতি ওচৰত থাকিব।
ঘোঁৰাত উঠাৰ আগতে আদিত্যই ৰামসিংহ আৰু অৰুনাক নিৰ্দেশ দিলে ।
অৰুনাই ৰজাৰ সৈতে যাত্ৰা কৰিব । নিজৰ মানুহক পথত নিযুক্ত কৰা যাতে ৰবীন্দ্ৰদেৱৰ চিপাহীয়ে ৰজাৰ যাত্ৰাত কোনো বিঘিনি ঘটাব নোৱাৰে ।
আদিত্যই ঘোঁৰত উঠি বায়ুবেগে গুচি গল ।
এটা জুইৰ বল ? সেইটো মোৰ ফালে আহিবলৈ ধৰিলে আৰু মই প্ৰায় অন্ধ হৈ গলো ।

সেই পদাৰ্থ হঠাতে খণ্ড বিখণ্ড হৈ গৈ ঘোঁৰা আৰু আৰোহিক ঘেৰি ধৰিলে । আদিত্য ঘোঁৰাৰ পৰা পৰি গল।
এয়া কি ? মই পৃথিৱীত নাই ! এনে লাগিছে যেন মই মাজতে ওলমি আছো ! মই সাঁতুৰি আছো নেকি ?
আ:! এয়াতো প্ৰকাশমান আকৃতি ! গৰুড়!
এইটোও হব পাৰে, মই তেওঁৰ শক্তিৰ আৱৰণৰ ভিতৰত আছো ।
গৰুড়ৰ এক শক্তিশালী প্ৰতিমা দেখা দিলে ।
শুনা মোৰ বাচা ! তান্ত্ৰিক নাগবন্ধু চয়তানৰ অৱতাৰ । অহা ৪০ দিনৰ ভিতৰত তেওঁৰ ৬০টা বলি পৰাৰ আগতে তেওঁক নাশ কৰি দিয়া ।
যেতিয়াই নিজৰ ভিতৰত মোৰ উপস্থিতি অনুভৱ কৰিবা, তোমাৰ কোনো ক্ষতি নহব ।
হে প্ৰভু ! মোক তান্ত্ৰিকৰ ওচৰলৈ লৈ বলা । মই তেওঁক নাশ কৰিম ।


এইটো ইমান সহজ নহয় আদিত্য ! গুহাৰ ভিতৰত তেওঁ অতি সুৰক্ষিত । অহা পূৰ্ণিমালৈ প্ৰতীক্ষা কৰা । তেওঁ অনুষ্ঠান চাবলৈ বাহিৰলৈ আহিব । তেওঁক প্ৰতিজ্ঞা পূৰণ কৰিবলৈ নিদিবা ।
হে প্ৰভু ! আপোনাৰ আশীৰ্বাদৰ ঢাল আৰু সত্যৰ তৰোৱাল লৈ মই এই কামত সফলতা লাভ কৰিব পাৰিম ।
যেতিয়া বিৰাট গৰুড় তেওঁৰ সন্মুখৰ পৰা অন্তৰ্ধান হৈ গল তেতিয়া আদিত্যই তেওঁৰ দ্বাৰা প্ৰাপ্ত শক্তি কেনেদৰে ব্যৱহাৰ কৰিব এই কথাৰ ওপৰত মনোযোগ দিলে ।
বাচা ! ধ্যানত বহি নিজৰ দৃষ্টি কেন্দ্ৰিত কৰা । তেতিয়া তোমাৰ দুষ্ট কৰ্মীসকলৰ গতিবিধি জনাৰ শক্তি আহিব ।
গুহাৰ মন্দিৰত মাজনিশা নাগবন্ধুৱে আপ্ত পুৰুষ আৰু নৰেন্দ্ৰৰক মাতি পঠালে ।
মই এক আচৰিত সপোন দেখিছো....এজন যুৱকক....এয়া মোৰ গুৰুৰ অন্তিম বলিদান হব ।
তোমাৰ পুত্ৰৰ জীৱন বিপদাপন্ন । এই যুৱক প্ৰাসাদত উপস্থিত হোৱাৰ আগতে তেওঁক ৰাজ্যৰ বাহিৰলৈ যাবলৈ কোৱা ।

তোমাৰ পুত্ৰ চান্দনী নদীৰ পাৰৰ শিৱিৰত আছে । তেওঁ আদিত্যক বিচাৰিছে । তেওঁক ইয়ালৈ তেওঁৰ পিতৃৰ ওচৰলৈ আহিবলৈ দিয়া ।
আপ্ত পুৰষে নৰেন্দ্ৰদেৱক চিন্তাযুক্ত অৱস্থাত দেখিলে ।
ৰাজৰ্ষিয়ে তোমাৰ পুত্ৰৰ আহি থকা বিপদ প্ৰথমতে দেখিবলৈ পালে । মই তেওঁৰ ওচৰলৈ গৈ সুৰক্ষাৰ কাৰণে পথ দেখুৱাম ।
আপ্ত পুৰুষে তান্ত্ৰিকৰ দুজন শিষ্যক লৈ চান্দনীৰ ফালে গতি কৰিলে ।
আমি তাৰাতাৰি গৈ পাব লাগে ।
নাগবন্ধুৱে এতিয়া নৰেন্দ্ৰদেৱৰ ফালে ঘুৰি চালে ।
অ ! মই তোমাক কবলৈ পাহৰি ছোৱে । যদি তুমি তোমাৰ পুত্ৰ চন্দ্ৰপুৰীৰ ৰজা হোৱা তো বিচৰা .....
....তুমি আদিত্যক মোৰ ওচৰলৈ লৈ আহিব লাগিব । তেওঁ মোৰ ৬০ তম বলি হব ।
তান্ত্ৰিকে নৰেন্দ্ৰদেৱক ৰখালে ।
ৰজা ভঙাৰ তোমালোকৰ ষড়যন্ত্ৰ সফল নহব । যেতিয়ালৈকে মই নিজৰ প্ৰতিজ্ঞা পূৰণ কৰিব নোৱাৰো, তুমি পুত্ৰৰে সৈতে ৰাজ্যৰ বাহিৰত থাকিবা । মনত ৰাখিবা ! আমাৰ দুয়োৰে শত্ৰু এজনেই । তাক বধ কৰিব লাগিব । গৰুড় ! তুমি এতিয়া যাব পাৰা ।
সম্মানিত মহাশয় ! আপোনাৰ ইচ্ছা পূৰণ হব ।
ক্ৰমশঃ

ৰাজধৰ্ম

এসময়ত পাৰস্য দেশত নাচেৰ খান নামৰ এজন চুলতান আছিল । তেওঁ অকল ৰাজনীতিৰ কাৰণেই নহয় ন্যায়ৰ কাৰণেও বিশ্ব বিখ্যাত আছিল ।

চুলতান এবাৰ সদল-বলে চিকাৰ কৰিবলৈ হাবিলৈ গ'ল । দুপৰীয়া এঠাইত শিবিৰ পাতি লৈ মানুহবোৰ খোৱা-বোৱাৰ ব্যৱস্থা কৰাত লাগি গ'ল। কিন্তু ৰান্ধনীজনে লোণ আনিবলৈ পাহৰি গৈছিল । সেয়েহে মন্ত্ৰীয়ে চিপাহী এজনক মাতি আনি ওচৰৰে গাওঁখনৰ পৰা লোণ লৈ আহিবলৈ আদেশ দিলে ।

এই কথা শুনিয়েই চুলতানে চিপাহীটোক কলে, "আমাক যিমান লোণ লাগে তাৰ মূল্য দিহে আনিবা ।"

"হুজৰ , সামান্য লোণকণৰো দাম দিব লাগিবনে ?" মন্ত্ৰীয়ে চুলতানক সুধিলে ।

"এনেকুৱা সৰু সুৰা কথাৰ পৰাইতো পৃথিৱীত জোৰ-জুলুমৰ আৰম্ভ হয় । আজি মই লোণ আনিছো, মোৰ পিছৰ বংশধৰে ইয়াতকৈও মূল্যবান কিবা নিব । এইদৰেই প্ৰজাৰ ওপৰত জোৰ-জুলুম বাঢ়ি যাব ।" চুলতানে মন্ত্ৰীক বুজাই কলে ।



খেলিমেলি ধেমালি

কাছটোক পথ দেখুৱা

ধীৰু কাছই আইচক্ৰীম ভাল পায় । আইচক্ৰীম দেখি সি ৰঙতে জঁপিয়াইছে । কিন্তু বেচেৰাই কোনটো পথেৰে আইচক্ৰীম আনিবলৈ যাব লাগিব সেইটো নাজানে । তুমি তাক সহায় কৰিব পাৰিবানে ?



অমিলবোৰ চিনাক্ত কৰা !

এই ছবি দুখন দেখাত একে হব পাৰে, কিন্তু ছবি দুখনৰ মাজত আঠটা অমিল আছে । সেইবোৰ চিনাক্ত কৰা !

হেৰোৱা মাছ

চিনুৱে মাছ ধৰিবলৈ ভাল পায় । কিন্তু সি ধৰা মাছবোৰ ছবিখনৰ অ'ত ত'ত সিঁচৰিত হৈ পৰি আছে । তাত কিমান মাছ আছে ভালদৰে চাই বিচাৰি উলিয়া ।

শৰৰ ছাঁ

সেই শৰপাত ৰনু শহাৰ ধনুৰ পৰা নিক্ষেপ কৰা হৈছে । ইয়াতে থকা ছাঁবোৰৰ ভিতৰত কোনটো ছাঁ ৰনুৰ শৰপাতৰ তুমি অনুমান কৰিব পাৰিবানে ?

(উত্তৰ ৬৬ পৃষ্ঠাত)

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব!

বিজয়ী বাক্য

দৃষ্টি মোৰ দূৰৰ ফালে
মোৰ দৃষ্টি তেনেই ওচৰতে

অভিনন্দন

জুলাই সংখ্যাৰ পুৰস্কাৰ বিজয়ী :

পাৰ্থজ্যোতি ডেকা

মাৰফৎ - পি. ডেকা, গাওঁ - নখেতি,

পো - কমাৰকুছি, নলবাৰী (অসম)

খেলিমেলি খেমালিৰ উত্তৰ (৬৪ পৃষ্ঠা)	অমিলবোৰ চিনাক্ত কৰা !		শৰৰ ছাঁ / হেৰোৱা মাছ
	১.সিংহৰ কেশৰ	৫. কুকুৰনেচীয়া বাঘৰ নেজ	শৰৰ ছাঁ: ৩ নম্বৰ ছাঁ
	২.মৌমাখিৰ পাখী	৬.ফুলদানি	
	৩.গোবৰুৱা পোকৰ গঠন	৭.ফুলৰ সংখ্যা	হেৰোৱা মাছ: ১৭টা মাছ
	৪.হাতীৰ চকুৰ ভ্ৰু	৮.বিছা	

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited. No. 82. Defence Officers Colony. Ekkatuthangal. Chennai - 600 097. Editor : Viswam

Chandamama CD-ROMs, are also available at all leading bookstores in India.



>DIRECT MAIL OFFER FOR CHANDAMAMA READERS<

To avail 20% discount on Chandamama CD-ROMs, please write to the Project Head Multimedia with your :

Name & Mailing address ....

Fun Workshop ☐ Copies

Early Reader Series
Jataka Tales Level 1 ☐ Copies
Total Copies : ☐ x 199

Please add delivery charges : By Regd. Post Rs. 41/- per CD and Rs.25/- for out-station cheques.

Enclose your order with a Cheque / DD, drawn in favour of Chandamama India Limited, payable at Chennai.

**** Offer available only for Indian residents.***

CHANDAMAMA'S

EARLY READER SERIES
Level-1

(FIRST 100 HOURS OF LANGUAGE LEARNING)



JATAKA TALES - Early Reader Series (Level 1) teaches children to instantly recognise 100 sight words in English. It promises clean fun, good learning and a superior pedagogical approach.

It is the first of a 3-series pack.

These CD-ROMs can also be used for any ESL (English as Second Language) course or Adult education programs that teach English.

Across media, a common tradition!

For trade and commercial enquiries contact:
Project Head, Multimedia
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097. India.
Ph : 91-44-2347384, 91-44-2347399
Visit us at http://www.chandamama.org

CHANDAMAMA (Assamese) **SEPTEMBER 2002** Registrar of Newspaper for India No. 30278/76
Registered No. TN/CPMG-870/2002